
ডিগবৈ মহাবিদ্যালয়
DIGBOI COLLEGE
বিদ্যা দদাতি বিনয়ং
ESTD 1965

# মঞ্জৰী

দ্বিতীয় সংখ্যা, চেপ্টেম্বৰ, ২০১৭



সম্পাদক ঃ সুৰজ গগৈ
লিজুত দুৱৰা

উপদেষ্টা ঃ সীমান্ত বৰদলৈ

# মঞ্জৰী

দ্বিতীয় সংখ্যা, চেপ্টেম্বৰ, ২০১৭

ESTD 1965

অসমীয়া বিভাগ


ডিগবৈ মহাবিদ্যালয়, ডিগবৈ

প্ৰতি,

শ্ৰী / শ্ৰীমতী ..........................................................................................

..........................................................................................................

- সম্পাদক




# সম্পাদনা সমিতি

উপদেষ্টা ঃ

সীমান্ত বৰদলৈ

সম্পাদক ঃ

সুৰজ গগৈ, লিজুত দুৰৱা

সদস্য ঃ

শৈল্য মৰাণ, পাপৰি চেতিয়া, চয়নিকা নাথ

বেটুপাত ঃ

নন্দিনী গগৈ

মুদ্ৰক ঃ

সনেকা প্ৰেছ, ডিগবৈ

ফোন নং - ০৩৭৫১-২৬৪৩৯২

# মঞ্জৰী

দ্বিতীয় সংখ্যা, চেপ্তেম্বৰ ২০১৭



উপদেষ্টা : সীমান্ত বৰদলৈ

সম্পাদক : সুব্রত গগৈ
বিদ্যুত দুৱৰা

**Dr. Dip Saikia**
Principal
Digboi College, Digboi

Phone & Fax : 03751-264414
Email : digboicollege@yahoo.com
Website : www.digboicollege.com



# শুভেচ্ছা

ডিগবৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতক ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত আৰু বিভাগটোৰ শিক্ষক-শিক্ষয়িত্ৰীৰ তদাৰকত ২০১৫ চনৰ জুন মাহত 'মজ্জৰী'ৰ ১ম সংখ্যাটিয়ে আত্ম প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ ঔৰসত জন্মা আলোচনী এখনৰ বুকুৰ উমতে উদিত হয় ভবিষ্যতৰ প্ৰতিভাসম্পন্ন লেখক-লেখিকাৰ। সেয়ে ডিগবৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত প্ৰকাশিত এই সাহিত্যালোচনীখনিৰ প্ৰতি আমাৰ প্ৰত্যাশা অনেক। মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ, বুদ্ধিমত্তা, সৃষ্টিধৰ্মিতা আদিৰ চিনাকি পাব পৰাকৈ তেওঁলোকৰ লেখাৰে 'মঞ্জৰী'ৰ ২য় সংখ্যাটি সমৃদ্ধ হওক।

এই শুভকামনাৰে -

(ড° দীপ শইকীয়া)
অধ্যক্ষ
ডিগবৈ মহাবিদ্যালয়

# বিভাগীয় মুৰব্বীৰ একলম

স্বাধীনোত্তৰ ভাৰতত প্ৰাদেশিক ভাষাবোৰৰ স্বীকৃতিৰ লগে লগে বিভিন্ন ৰাজ্যত গঢ় লৈ উঠা উচ্চ শিক্ষানুষ্ঠানবোৰত অন্যান্য বিষয়সমূহৰ লগতে সেই অঞ্চলৰ আঞ্চলিক ভাষাসমূহৰ বিকাশ চৰ্চাৰ বাবে স্থানীয় আৰু মুখ্য ভাষাক কেন্দ্ৰ কৰি একোটাকৈ বিভাগ (MIL) গঢ় লৈ উঠিল। সেই অনুক্ৰমে অসমতো গঢ় লৈ উঠা বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত অসমৰ মূল ভাষা অসমীয়াক বিষয় হিচাপে লৈ একোটাকৈ বিভাগৰ জন্ম হ'ল। ১৯০১ চনত কটন কলেজ জন্মৰে পৰা আজিলৈকে সেই বিভাগ উচ্চ শিক্ষানুষ্ঠানসমূহৰ একোটো বিষয় ৰূপে অসমত চলতি হৈ আছে। জাতীয় স্বাৰ্থ আৰু জাতিৰ সৰ্বাঙ্গীণ উন্নয়ণৰ বাবেই এই বিষয়টোৰ জন্ম হৈছিল।

কিন্তু বৰ্তমান দেখা গৈছে - বহুতো শিক্ষানুষ্ঠানত কেৱল পাঠদানতেই বিভাগটো ব্যস্ত হৈ আছে। নিৰ্ধাৰিত সীমিত পাঠ্যক্ৰমৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে বিষয়টো গ্ৰহণ কৰি তাক জাতীয় স্বাৰ্থৰ হকে প্ৰয়োগ কৰিব পাৰিছে নে নাই তালৈ গুৰুত্ব দিয়া হোৱা নাই। আনকি পৰীক্ষাত বহু উচ্চ মূল্যাংক লাভ কৰা ছাত্ৰ-ছাত্ৰীয়েও বিষয়টো উপযুক্তভাৱে আয়ত্ব কৰিব নোৱাৰি তেওঁলোকৰ পাছৰ প্ৰজন্মক বিষয়টো সম্পৰ্কে ভুল ধাৰণা এটা দিব খুজিছে। এনে থলত জাতীয় স্বাৰ্থৰ বাবে বিভাগটোৱে অনেক সামাজিক কাম কৰিব পাৰে। প্ৰযুক্তি বিদ্যাৰ চৰম উন্নয়ণৰ যুগত এনে বিভাগে কৰিব পৰা অনেক ইতিবাচক কামো আছে। সেয়েহে কওঁ বিভাগটোৰ লগত জড়িত দাতা আৰু লওঁতা উভয়ে শুদ্ধকৈ বিষয়টো আয়ত্ব কৰি তাক দেশ আৰু জাতিৰ উন্নতিৰ বাবে ব্যৱহাৰ কৰা উচিত।

বিভাগীয় শিক্ষক সীমান্ত বৰদলৈৰ তত্বাৱধানতে 'মঞ্জৰী'ৰ দ্বিতীয় সংখ্যা প্ৰকাশ পাইছে। তেখেতৰ পৰিশ্ৰমৰ শলাগ লৈছোঁ। তদুপৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়ায়ো আলোচনীখন প্ৰকাশত কৰ্তৃপক্ষৰ ফালৰ পৰা আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে বিভাগৰ বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আৰু প্ৰেৰণা আগবঢ়াইছে। তেখেতলৈয়ো শলাগ জ্ঞাপন কৰিছোঁ। 'মঞ্জৰী' দীৰ্ঘজীৱী হওক -

**ড° মৃণাল কুমাৰ গগৈ**
*মুৰব্বী, অসমীয়া বিভাগ*
ডিগবৈ মহাবিদ্যালয়

# সম্পাদকীয়.....



সাহিত্য যেনেকৈ সমাজৰ দাপোণস্বৰূপ আলোচনীসমূহো হৈছে মহাবিদ্যালয়ৰ দাপোনস্বৰূপ। ই আমাৰ মানসিক আৰু বৌদ্ধিক চিন্তাৰ বিকাশ সাধনৰ আখৰা থলি। তদুপৰি ইয়াত প্ৰতিফলিত হয় মহাবিদ্যালয়ৰ সাহিত্য আৰু সংস্কৃতি। আলোচনীসমূহৰ পাততে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ উন্মেষ ঘটে বা প্ৰকাশ পায়। সেইফালৰ পৰা আমাৰ জীৱনৰ সাহিত্য সাধনাৰ প্ৰাথমিক আগ্ৰহৰ স্ৰষ্টা হ'ল মহাবিদ্যালয়ৰ আলোচনীসমূহ।

অসমৰ পূব দিশত ডিগবৈ মহাবিদ্যালয় অৱস্থিত। এই মহাবিদ্যালয় কেৱল এই অঞ্চলৰেই নহয় সমগ্ৰ অসম তথা ভাৰতবৰ্ষৰ এনে এখন উচ্চ শিক্ষাৰ অনুষ্ঠান য'ত দেশৰ ভিন্ন কোণৰ ছাত্ৰ-ছাত্ৰীয়ে ভিন্ন বিভাগত শিক্ষা লাভ কৰি আছে। শৈক্ষিক দিশটোৰ লগতে ক্ৰীড়া জগত আৰু সাহিত্যৰ জগততো মহাবিদ্যালয়খনে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। আমাৰ এই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা ২০১৫ চনৰ জুন মাহত প্ৰকাশ পোৱা প্ৰথম মুখপত্ৰ 'মঞ্জৰী'ৰ এয়া দ্বিতীয় সংখ্যা। এই সংখ্যাৰ সম্পাদনাৰ গুৰু দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰা হৈছে। মহাবিদ্যালয়খনৰ ছাত্ৰ হিচাপে আমি নিজৰ বিভাগীয় আলোচনী এখন সম্পাদনা কৰিবলৈ পাই নিজকে সৌভাগ্যৱান তথা অত্যন্ত সুখ অনুভৱ কৰিছোঁ। সেয়েহে 'মঞ্জৰী'ক সুন্দৰ ৰূপত সজাই পৰাই তুলিবলৈ আমি অহোপুৰুষাৰ্থ চেষ্টা কৰিছোঁ।

'মঞ্জৰী'ৰ মূল উদ্দেশ্য হ'ল শিক্ষাৰ্থীসকলৰ আগ্ৰহ, প্ৰেৰণা তথা সাহিত্যিক প্ৰতিভা জগাই তোলা। সেয়েহে আমি আশা কৰিছোঁ যে আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সুপ্ত প্ৰতিভাক বিকাশ তথা প্ৰতিষ্ঠা কৰাত সহায় কৰিব।

মানুহৰ নতুন কিবা এটা জনাৰ বা শিকাৰ আগ্ৰহ সদায় থাকে। ছাত্ৰ হিচাপে যিহেতু আমাৰ এতিয়াও শিকিবলৈ যথেষ্টখিনি বাকী আছে গতিকে সীমিত অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিয়েই আমি 'মঞ্জৰী'ক কিমান নিটোল ৰূপত দাঙি ধৰিব পাৰিছোঁ নাজানো। সেয়েহে আলোচনীখন প্ৰস্তুত কৰোঁতে আমি নজনাকৈয়ে কিছুমান ভুল-ত্ৰুটি হৈ যাব পাৰে তাৰ বাবে শিক্ষাগুৰু, বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমূহ পাঠক বৃন্দৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

<u>কৃতজ্ঞতাৰ শৰাই ঃ</u>

'মঞ্জৰী'ৰ প্ৰকাশৰ ক্ষেত্ৰত সকলো ধৰণৰ সহায় তথা দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় মুৰব্বী ড° মৃণাল কুমাৰ গগৈ ছাৰ, জ্যেষ্ঠ শিক্ষক পূৰ্ণানন্দ শইকীয়া ছাৰ, দীপা শৰ্মা বৰঠাকুৰ বাইদেউ, অচ্যুত শইকীয়া ছাৰ আৰু সীমান্ত বৰদলৈ ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি 'মঞ্জৰী' প্ৰকাশ কাৰণে আৰ্থিক সাহাৰ্য আগবঢ়াই উপকৃত তথা উদগণি জনোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়া ছাৰৰ ওচৰত আমি চিৰকৃতজ্ঞ হৈ ৰ'ম । আনহাতে খুব কম সময়ৰ ভিতৰতে 'মঞ্জৰী'ৰ বেটুপাত অংকন কৰি 'মঞ্জৰী'ৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰা এই মহাবিদ্যালয়ৰে ৰাসায়ন বিজ্ঞান বিভাগৰ স্নাতম প্ৰথম বৰ্ষৰ ছাত্ৰী নন্দিনী গগৈলৈ অশেষ ধন্যবাদ তথা কৃতজ্ঞতা যাচিছোঁ আৰু লগতে আলোচনীখন প্ৰকাশৰ বিভিন্ন দিশত সহায়-সহযোগিতা তথা পৰামৰ্শ আগবঢ়াই উপকৃত কৰা অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । এই ছেগতে উল্লেখ কৰিবই লাগিব যে বিশেষকৈ বিভাগীয় ছাৰ-বাইদেউসকল আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি থকা যি আন্তৰিক মৰম-চেনেহ আৰু প্ৰতিটো পদতে যি সহায়-সহযোগিতা আগবঢ়াই উৎসাহ যোগাইছে তাৰ বাবে ছাৰ-বাইদেউসকলৰ ওচৰত আমি চিৰঋণী ।

এই আলোচনীখনিয়ে ছাত্ৰ-ছাত্ৰীসকলক সাহিত্যৰ প্ৰতি আগ্ৰহ বৃদ্ধি তথা অনুপ্ৰেৰণা যোগাই ভৱিষ্যতে এজন সু-সাহিত্যিকৰ লগতে সু-নাগৰিক হিচাপে গঢ় দিয়াত সহায় কৰিব বুলি আশা কৰিলোঁ ।

'মঞ্জৰী' দীৰ্ঘায়ু হওক, উত্তৰোত্তৰ উন্নতি হওক, পথ হওক মসৃণ আৰু গতি হওক দুৰন্ত তাৰেই কামনাৰে -

*জয়তু অসমীয়া ভাষা*
*জয়তু অসমীয়া বিভাগ*
*জয়তু ডিগবৈ মহাবিদ্যালয়*

*সুৰজ গগৈ*
*লিজুত দুৱৰা*

# সূচীপত্র

## প্ৰবন্ধ


| | | |
|---|---|---|
| ♦ বোৰঁতী নদীৰ মোহনাত | পূৰ্ণানন্দ শইকীয়া | ১ |
| ♦ জ্যোতিপ্ৰসাদৰ নাটক ঃ এক চমু অৱলোকন | অজয় আচাৰ্য | ৪ |
| ♦ ধৰ্ম অহংকাৰ | বিনীতা বৰপাত্ৰ গোহাঞি | ৭ |
| ♦ ড° নগেন শইকীয়াৰ চুটি গল্প ঃ এটি আলোচনা | পাৰ্থজিত গগৈ | ৯ |
| ♦ অসমৰ সংবাদ পত্ৰৰ ইতিহাস | শৈল্য মৰাণ | ১৩ |
| ♦ সৰু হোৱাৰ ভয় | সুৰজ গগৈ | ১৮ |
| ♦ অসম সাহিত্য সভা আৰু নৱ প্ৰজন্ম | ফনিন মৰাণ | ২০ |
| ♦ অসমীয়া অলংকাৰ | মণিষা ডেকা | ২৩ |
| ♦ সংগীতসূৰ্য ড° ভূপেন হাজৰিকা | ৰিমকি বৰগোহাঁই | ২৫ |



## কবিতা


| | | |
|---|---|---|
| ♦ মাতৃভূমি | পল্লৱী ঢেকিয়াল ফুকন | ২৮ |
| ♦ জীয়াই থকাৰ অনুশীলনত | ফৰিদা বেগম | ২৮ |
| ♦ আইৰ ক'লা চুলিৰ খোপাত | ফনিন মৰাণ | ২৯ |
| ♦ বৰষুণ | মাধুৰী মৰাণ | ২৯ |


## গল্প


| | | |
|---|---|---|
| ♦ চুক্তি | মণিষা ডেকা | ৩০ |
| ♦ নিষ্ঠুৰ নিয়তি | বিতোপন দহোটীয়া | ৩২ |
| ♦ অনুভৱৰ এখন চিঠি | মাধুৰী মৰাণ | ৩৫ |

# অসমীয়া বিভাগৰ গৌৰৱ



ড° ধৰণী লাহন

ইং ২০০২ বৰ্ষত সুখ্যাতিৰে অসমীয়া বিষয়ত সন্মান সহ ডিগবৈ মহাবিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা ড° ধৰণী লাহন সাম্প্ৰতিক কালৰ অসমৰ এগৰাকী জনপ্ৰিয় সৃষ্টিশীল লেখক। বৰ্ত্তমান গুৱাহাটী কলেজৰ সহঃ অধ্যাপক ৰূপে কৰ্মৰত ড° লাহনৰ উল্লেখযোগ্য গ্ৰন্থ হ'ল — 'শুভ্ৰনীল শুভ্ৰনীল' (২০০৪), 'নৈপৰীয়া সুহৃদ আৰু অন্যান্য' (২০০৮), 'কৰুণ নাৰীৰ গদ্য' (২০০৯), 'ঐমিলি' (২০১০), 'অসমীয়া গল্প আলোচনা' (২০১০), 'কাজি নেমুৰ পাত' আদি ২০০৭-২০০৯ বৰ্ষত তেখেতে অসম সাহিত্য সভাৰ গিৰিধৰ শৰ্মা বঁটাৰেও সন্মানিত হয়।



সন্তোষ কুমাৰ ৰায়

ইং ২০০৩ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত সন্মান সহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ।

# বোৰঁতী নদীৰ মোহনাত

✍ পূৰ্ণানন্দ শইকীয়া
জ্যেষ্ঠ অধ্যাপক
অসমীয়া বিভাগ

'অন্ন ব্ৰহ্ম। অন্ন চিন্তা চমৎকাৰা'। আগেয়ে চাউলকঠা পাচতহে হৰিৰ কথা। কিন্তু যাৰ চাউল য'ত আছে তেওঁ তালৈকে যাব লাগিব। সেই চাউলমুঠি বিচাৰি মই পালোহি ডিগবৈ মহাবিদ্যালয়।এম.এ. পাছ কৰি দিশহাৰা হৈ কেইমাহমান ঘৰতে আছো। এনেতে উজনি মাজুলী খেৰকটীয়া (UMK) কলেজত অধ্যাপকৰ পদ এটি খালী আছে বুলি জানি অধ্যক্ষ ফণী টাহুৰ ওচৰ পালোঁগৈ। তেখেতৰ কথামতেই গৰমবন্ধ খোলাৰ লগে লগে সেই কলেজত যোগদান কৰিলোঁ। দৰমহা মাহিলি আঢ়েশ টকা। তাকো একেবাৰতে নহয়। অলপ অলপকৈ কেইবাবাৰো দি শেষ কৰে। তথাপি ভাল লাগিছিল, কাৰণ এইয়া যে ছাত্ৰ জীৱনৰে পৰা পুহি ৰখা সপোন পূৰণৰ আৰম্ভণি। ছমাহ মানৰ ভিতৰত মাজুলীৰ বানপানী, যাতায়াত, জনজাতীয় জীৱন ধাৰা ইত্যাদি চিনাকি আৰু আপোন হৈ পৰিছে মাথোন, - ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডক্টৰ প্ৰহ্লাদ কুমাৰ বৰুৱা চাৰৰ পৰা চিঠি আহিল - অসমীয়া বিভাগত নকৈ প্ৰৱৰ্ত্তিত এম.ফিল. পাঠ্যক্ৰমৰ বাবে আবেদনকাৰীসকলৰ ভিতৰত মোৰ নামটো ৱেটিং লিষ্টৰ আৰম্ভণিতে আছে। মাধৱদেৱ কলেজৰ বিশ্ব বৰুৱা নাহে- গতিকে মই গ'লেই পাম। 'ঠিক পোহৰৰ দৰে যেনিয়েই সুৰুঙা পোৱা তেনিয়েই আত্ম প্ৰকাশ কৰিবা' - ছাৰৰ চিঠিখনৰ এই বাক্যটো মোৰ বাবে আজিও বেদৰ বাণী। এম.ফিল. পাঠ্যক্ৰম শেষ কৰি উভতিছোঁ 'মিকচিজিলী'ৰ মাজুলীলৈ। 'The Assam Tribune' ত বিজ্ঞাপন দেখিলো - ডিগবৈ কলেজত চাকৰি ওলাইছে। আবেদন কৰিলোঁ। সাক্ষাৎকাৰলৈ মাতিলে। চাকৰিৰ বাবে দিয়া জীৱনৰ প্ৰথম আৰু শেষ সাক্ষাৎকাৰ। সাক্ষাৎ গ্ৰহণ কৰিছিল ড° প্ৰফুল্ল কুমাৰ ভূঞা ছাৰ, উপাধ্যক্ষা স্বৰ্ণলতা গগৈ বাইদেউ, বিভাগীয় মুৰব্বী চৈয়দা আকেলা খানম বাইদেউৰ ছুটী সাপেক্ষে অধ্যাপক মোহিনী কুমাৰ বৰদলৈ আৰু পৰিচালনা সমিতিৰ সভাপতি ডা° মহেন্দ্ৰ গগৈ দেৱে। আটাইবোৰ প্ৰশ্নৰ উত্তৰ সঠিকভাৱে দিলোঁ। তেখেতসকলৰ মুখবোৰ দেখিয়েই গম পালোঁ সন্তুষ্ট হৈছে। অৱশেষত ডা° গগৈয়ে সুধিলে-খেচৰ মানে কি ? মোৰ উত্তৰ-ভালদৰে নাজানো। খুব সম্ভৱ ফেঁচাৰ দৰে এবিধ চৰাই। তেখেতে বুজাই দিলে 'খে'- মানে আকাশ। আকাশত যি চৰে সিয়েই খেচৰ। মই ক'লো তেন্তে ফেঁচাও এবিধ খেচৰ। তেখেতে মিচিকিয়া হাঁহিৰে সন্মতি জনালে। তিনিজন প্ৰাৰ্থীৰ ভিতৰত মোক 'জইন' কৰিবলৈ চিঠিৰে মাতিলে। ঘাটি

মঞ্জুৰী বিহীন স্থায়ী পদত চাকৰি কৰিব লাগে। দৰমহা মাহিলি ছশ টকা। জইন কৰিলোঁ ২৬ অক্টোবৰ ১৯৮৪ তাৰিখে। ১৯৮৭ চনৰ জানুৱাৰীৰ পৰা চৰকাৰী দৰমহা উপভোগ কৰিছোঁ। অহা ৩১ আগষ্ট ২০১৭ তাৰিখে সুদীৰ্ঘ চাকৰি জীৱনৰ পৰিসমাপ্তি।

এতিয়া উভতি চাইছোঁ - কিনো পালোঁ- কিনো দিলোঁ ? ২৫ অক্টোবৰ ১৯৮৪ তাৰিখে মুলীয়াবাৰীৰ আত্মীয় মানুহ এঘৰৰ আশ্ৰয় ল'লো। ১৯৮৫ চনৰ ফেব্ৰুৱাৰীৰ পৰা ৩১ ডিচেম্বৰ ২০০০ চন পৰ্য্যন্ত তিপাম নামঘৰৰ ভাৰাঘৰত কটালো। এফালে নামঘৰ আনফালে স্কুলঘৰ। সন্মুখেদি কলেজৰ প্ৰবেশ পথ, পিচফালে জীৱনৰ অৱসান -শেষ যাত্ৰাৰ শ্মশান। নামঘৰৰ হৰি নামৰ ধ্বনি-খোল তাল দেৱবাদ্য, আধ্যাত্মিক পৰিবেশ। শ্মশানত জুই, ধোঁৱা, 'হৰি হৰি বোলা, বোল হৰি', 'ৰাম নাম সত্য হে' - ইত্যাদি ইত্যাদি। ৰাতি গহীন হ'লে এনে পৰিৱেশে মনলৈ আনিছিল কিবা এক অনামী বিষাদ-উদাসী বৈৰাগ্য। ভাৰাঘৰত থকা অকলশৰীয়া কমবয়সীয়া মোক বহুতে কলেজীয়া ছাত্ৰ বুলিয়েই ভাবিছিল। পিছলৈ সেই ভুল ভাগিছিল। সেই সময়ত কমাৰ্চৰ ক্লাচবোৰ পুৱাৰ ভাগত হৈছিল। মই কমাৰ্চতো ক্লাচ কৰিব লগা হৈছিল। মই থকা ঘৰটো আছিল কলেজৰ আৰু বাহিৰৰ বহুতো চিনাকী মানুহৰ বাটঘৰ। এতিয়া কিছু দূৰৈত সজা নিজা ঘৰলৈ গ'লো। সেই অতিথি সেৱাৰ পৰা বঞ্চিত হ'লো। ডিগবৈত নিগাজী হোৱাৰ পৰিক্ৰমা আৰম্ভ হওঁতেই নিজে পঢ়ি অহা নৰ্থ বেংক কলেজত চাকৰি ওলাল। কলেজত মোক পঢ়ুৱা শিক্ষাগুৰু কেইগৰাকীয়ে বৰকৈ মাতিলে। ইণ্টাৰভিউ দিলোঁ। এপইন্টমেণ্ট লেটাৰ আহিল। কি কৰিম, কি নকৰিম সিদ্ধান্ত ল'ব পৰা নাই। অৱশেষত মাতৃ-আৰু পত্নীৰ পৰামৰ্শ মানি যোৱাটো নহ'ল। হয়তো ভালেই হ'ল। তেতিয়া ডিগবৈ কলেজৰ পুথিভঁৰালৰ প্ৰেমত পৰিছিলোঁ।

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ মাজত থাকিলে নিজৰ কলেজীয়া জীৱনৰ হেৰোৱা বয়সটো ঘূৰাই পাওঁ। পাঠ্য বিষয়ৰ লগত একাত্ম হৈ পৰোঁ। ছাত্ৰ-ছাত্ৰীৰ মুখত বুজি পোৱাৰ ভাব পৰিলক্ষিত হ'লে তৃপ্তি পাওঁ। কেতিয়াবা - কিছুমানৰ মুখত সেই ভাব নেদেখিলে নিজকে বিফল আৰু অপৰাধী যেন লাগে। কিমান ছাত্ৰ-ছাত্ৰী যে আহিল আৰু গ'ল। এতিয়া হয়তো হিচাপ কৰি উলিয়াব নোৱাৰিম। সৰহভাগৰে নামবোৰ পাহৰিলোঁ, মুখবোৰ কিন্তু মনত আছে আৰু থাকিব। তেওঁলোকৰ কীৰ্ত্তি আৰু সংস্থাপনে মনত আনন্দ দিয়ে। সকলো শিক্ষকে মেধাবী ছাত্ৰ-ছাত্ৰীক অলপ হ'লেও বেছি স্নেহ আৰু আশাৰ দৃষ্টিৰে চায়,ময়ো তাৰ ব্যতিক্ৰম নহওঁ। কিন্তু মোৰ মনত বেছিকৈ দাগ কাটি যায় নম্ৰ, শান্ত অমায়িক আৰু শ্ৰদ্ধাৱান ছাত্ৰ-ছাত্ৰীয়ে। নৈখন পাৰহৈ সৰহভাগ যাত্ৰীয়ে নাওখনলৈ উভতি নাচায়। তেনেকুৱা ছাত্ৰ-ছাত্ৰীও নোপোৱা নহয়। আছে আৰু থাকিবও। আমাৰ তিনিওটা ল'ৰা-ছোৱালীয়ে এই মহাবিদ্যালয়ৰ পৰা স্নাতক হৈ ওলাই গৈছে। সিহঁতৰ লগৰবোৰৰ বাবে মই আছিলো 'দেউতা ছাৰ'। ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষকৰ এনে নাম থাকেই। তাত হৰিষাদ বিষাদৰ প্ৰশ্ন নুঠে।

মোৰ ওপৰৰ তিনিওজন বিভাগীয় সতীৰ্থ গুচি যোৱাৰ পিচত মোৰ নামৰ আগত জ্যেষ্ঠতম বিশেষণটো লগ লাগিল। ইতিমধ্যে

আকেলা খানম বাইদেও আৰু তৰুণ চন্দ্ৰ হাজৰিকা দেৱ বৈতৰণী পাৰ হ'ল। মাজতে আহিছিল মঞ্জুলা দাস। তেওঁ যোৰহাটৰ ডি.চি.বি কলেজলৈ গুচি গ'ল। পৰৱৰ্তী কালত যথাক্ৰমে আহিল দীপা বৰঠাকুৰ, মৃণাল গগৈ, অচ্যুত শইকীয়া আৰু সীমান্ত বৰদলৈ। অস্থায়ীভাৱে আহিছিল শিখামণি কোঁচ, ৰাজীৱ শইকীয়া, পুষ্পা ৰাজবংশী, হেমন্ত শৰ্মা, অৰুণিমা শইকীয়া আৰু জুৰি বুঢ়াগোহাঁই। সকলোৰে লগত সমিল-মিলেৰে চলাৰ যত্ন কৰিছিলোঁ। ক'ৰবাত ত্ৰুটি হয়তো হ'বও পাৰে, সি অনিচ্ছাকৃত। কৰ্তব্যই মহাধৰ্ম। প্ৰত্যেকেই নিজৰ কৰ্তব্য সুচাৰুৰূপে কৰি গ'লে মনোমালিন্যৰ অৱকাশ নাথাকে। বিভাগীয় দায়িত্ব লোৱা বছৰত আমাৰ ছাত্ৰ সন্তোষ কুমাৰ ৰায়ে স্নাতক পৰীক্ষাৰ অসমীয়া মেজৰত প্ৰথম শ্ৰেণীৰ প্ৰথমস্থান অধিকাৰ কৰি কলেজ আৰু বিভাগলৈ গৌৰৱ কঢ়িয়াই আনিছিল। পৰৱৰ্তী সময়ত বহুতে ১ম শ্ৰেণী পাইছে কিন্তু প্ৰথম হোৱা নাই। ভৱিষ্যতে সেই গৌৰৱ আকৌ আহক।

NAAC-এ এতিয়ালৈকে দুবাৰকৈ কলেজখনৰ মূল্যায়ন কৰিছে। দুয়োবাৰতে বিভাগটোৰ উপৰি অন্য বিষয়ৰ গুৰু দায়িত্ব মূৰ পাতি ল'ব লগা হৈছিল। বিভাগীয় মিউজিয়ামৰ বাবে মাৰ্ঘেৰিটাৰ পাৱৈমুখৰ তাই খাময়াং গাঁওত চাইকেল চলাই ঘূৰি ফুৰিছিলোঁ। বিভাগীয় সতীৰ্থ আৰু ছাত্ৰ-ছাত্ৰীক লগত লৈ DFO-ক লগ ধৰিছিলোঁ। এতিয়া হয়তো তেনে পৰিশ্ৰম কৰিব নোৱাৰিম। ২০০৪ চনত অহা NAAC-ৰ মূল্য নিৰূপকে প্ৰশ্ন কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ইমানবোৰ কলেজৰ ভিতৰত আপোনাৰ বিভাগে অসমীয়াত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিলে - সেই কীৰ্তিত্ব কাৰ, শিক্ষকসকলৰ নে ছাত্ৰজনৰ ? মোৰ উত্তৰ - নিশ্চিতভাৱে ছাত্ৰজনৰ। আমিতো সকলো ছাত্ৰ-ছাত্ৰীক একেদৰে পঢ়াওঁ। ছাত্ৰ-ছাত্ৰীসকলে ডিগ্ৰী লৈ মাত এষাৰ দি যায় আমাৰ বাবে সেয়ে আনন্দ। এবছৰ কিয় জানো সেই মাতষাৰ পোৱাৰ সৌভাগ্য নহ'ল। ভাবিলে দুখ লাগে।

এইখন বিভাগীয় পত্ৰিকা। কলেজৰ সামূহিক জীৱনত কিনো দিলোঁ- কিনো পালোঁ। ইয়াত নকওঁ। সমাজৰ অন্যান্য দিশৰ দৰে শিক্ষাব্যৱস্থালৈকো সময়ে সময়ে পৰিৱৰ্তন আহিছে। সিবোৰৰ কিছুমান ইতিবাচক - কিছুমান নেতিবাচক। ভাবি দুখ লাগে - দেশত শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান এইবোৰ বহুত বাঢ়িছে। কিন্তু মানুহৰ কৰ্ম আৰু আচৰণ শিক্ষিত বা ধাৰ্মিকৰ দৰে নহৈ বিপৰীত দিশত গতি কৰিছে। পাঠ্যপুথি নোহোৱাকৈ পাঠ্যক্ৰম আগবঢ়া পাঠ্যপুথিৰ পূৰ্বেই বজাৰত 'নোটবুক' ওলোৱা, ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি চিনি নোপোৱা বা সংগ্ৰহ নকৰা - এইবোৰ আন্ধাৰত সোণ বিচৰাৰ দৰে জাতীয় জীৱনত আত্মপ্ৰতাৰণা। পৰীক্ষাত গৌৰৱোজ্জ্বল ফলাফল দেখুৱাই সম্বৰ্ধিত হোৱা ছাত্ৰ-ছাত্ৰী পৰৱৰ্তী কালত দুৰ্নীতিৰ নায়ক নায়িকা হৈ চৰকাৰী ৰঙাঘৰৰ অতিথি হোৱা - এইবোৰ ঘৃণণীয় আৰু বেদনা দায়ক। আমাৰ ছাত্ৰ-ছাত্ৰীসকলক এনে সংক্ৰামক ৰোগে আক্ৰমণ কৰিব নোৱাৰক। তেওঁলোকক সাফল্য আৰু মাংগল্যই লগ দিয়ক। বিভাগীয় ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী সকলোকে অন্তৰৰ প্ৰণাম জনাই ঃ-

'নাও মেলি আহিলোঁ আঁতৰি
অতীতক নাযাবা পাহৰি।'

❖❖❖❖

# জ্যোতিপ্ৰসাদৰ নাটক ঃ এক চমু অৱলোকন

*অজয় আচাৰ্য*
*প্ৰাক্তন ছাত্ৰ*
*অসমীয়া বিভাগ*

ঊনবিংশ শতিকাত যি কেইগৰাকী সাহিত্য সংস্কৃতিৰ সাধকে অসমীয়া সাহিত্য-সংস্ক-তিৰ বৰভেঁটি টনকিয়াল কৰি থৈ গ'ল সেইসকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান নিঃসন্দেহে গুৰুত্বপূৰ্ণ। তেঁও আছিল একেধাৰে কবি নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ, চিত্ৰশিল্পী, অভিনেতা আৰু কথাছবি প্ৰযোজক।

জ্যোতিপ্ৰসাদৰ আৱিৰ্ভাৱে অসমীয়া নাট্য সাহিত্যৰ জগতত গৌৰৱময় অধ্যায়ৰ সূচনা কৰিলে। ইয়াৰ আগতো বহুতো নাটক ৰচনা হৈছিল কিন্তু সেইবিলাক নাটকে চৰম সাৰ্থকতা লাভ কৰা নাছিল অৱশ্যে দুই এখন নাটকত একো একোটি উজ্জ্বল দিশ প্ৰতিফলিত নোহোৱাকৈ নাছিল। কিন্তু জ্যোতিপ্ৰসাদৰ কাপতেই অসমীয়া নাটকে চৰম পৰিপুষ্টিৰ বাট বিচাৰি পালে।

জ্যোতিপ্ৰসাদে ছয়খন পূৰ্ণাংগ নাটক ৰচনা কৰিছিল। সেইকেইখন হ'ল 'শোণিত কুঁৱৰী', কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'নিমাতী কইনা' বা 'ৰূপকোঁৱৰ' আৰু 'খনিকৰ'। এই কেইখনৰ উপৰিও তেঁও 'সোণপখিলী', 'কনকলতা' আৰু 'সুন্দৰ কোঁৱৰ' নামৰ আন চাৰিখন নাটক ৰচনা কৰিছিল; কিন্তু আটাইকেইখনেই অসম্পূৰ্ণ

তেঁও ছাত্ৰ অৱস্থাতে 'শোণিত কুঁৱৰী' (১৯২৫) নাট ৰচনাৰে অসমীয়া নাট্য সাহিত্যৰ জগতত পদাৰ্পন কৰিছিল। পৌৰাণিক হ'লেও ভাববস্তু আৰু ৰূপবস্তুৰ দিশৰ পৰা ই এখন ৰোমাণ্টিক ভাবসম্পন্ন আধুনিক নাটক। নাট্যকাৰ আগৰৱালাই নাটকখনত পুৰাণৰ চিৰ পৰিচিত ঊষা অনিৰুদ্ধৰ মিলনৰ কাহিনীক প্ৰত্যয়জনকভাৱে আধুনিক ৰূপত সজাই তুলিছে। নাটকখনৰ বিষয়বস্তু সৰ্বজন পৰিচিত পুৰাণ আধাৰিত হোৱা বাবে নাট্যকাৰে বৰ বেছি মৌলিকতা দেখুৱাবৰ সুযোগ পোৱা নাই। অৱশ্যে নাটকখনত যথাসম্ভৱ পৌৰাণিক অলৌকিকতা ত্যাগ কৰা দেখা গৈছে।

জ্যোতি প্ৰসাদৰ দ্বিতীয়খন নাটক হ'ল 'কাৰেঙৰ লিগিৰী'। এইখন তেঁওৰ শ্ৰেষ্ঠ নাটক। নাটকখন কাল্পনিক ঘটনাক কেন্দ্ৰ কৰি ৰচিত হৈছে। নাটকখনত প্ৰাচীন অসমৰ সামন্ত যুগীয় সমাজৰ প্ৰতিচ্ছবি প্ৰাণ পাই উঠিছে। নাট্যকাৰ আগৰৱালাই নাটকখনত ৰাজমাওৰ আদেশমৰ্মে সুন্দৰ কোঁৱৰে অনিচ্ছা সত্বেও কাঞ্চনমতীক বিবাহ কৰোৱা, সুন্দৰ কোঁৱৰে কাঞ্চনমতীক তাইৰ পূৰ্বৰ প্ৰেমিক নঙ্গৰামক গতাই দিয়া, ৰাজমাওৱে সুন্দৰ কোঁৱৰ আৰু শেৱালীৰ গোপন প্ৰণয়ৰ কথা গম পাই কোঁৱৰৰ অজ্ঞাতে শেৱালীক নিৰ্বাসন দিয়া, কোঁৱৰৰ ৰাজকীয় পদমৰ্যাদা আৰু দেহ ৰক্ষাৰ অৰ্থে শেৱালীয়ে আত্মবিসৰ্জন দিয়া আদি নাটকীয় ঘটনা-পৰিঘটনাই সামন্ত যুগীয় সমাজ আৰু ব্যক্তিৰ মাজত থকা সংঘৰ্ষ, প্ৰাচীন ৰীতি নীতি, সংস্কাৰ আৰু নতুন আদৰ্শৰ মাজত থকা বিৰোধ আদি ভাব প্ৰকাশ

কৰিছে। এই নাটকখনৰ জৰিয়তে নাট্যকাৰ আগৰৱালাই সামাজিক আৰু ব্যক্তিগত সংঘাতে মানৱৰ অগ্ৰগতিৰ পথত কেনেদৰে হেঙাৰ ৰূপে থিয় দিব পাৰে তাক সুন্দৰভাৱে ফুটাই তুলিছে।

জ্যোতি প্ৰসাদৰ তৃতীয়খন নাটক ‘ৰূপালীম’ত ৰূপালীম আৰু মায়াব’ৰ প্ৰেমৰ মাজেদি ৰোমান্টিক ভাবাদৰ্শই প্ৰাণ পাই উঠিছে। নাটকখনৰ চৰিত্ৰসমূহৰ ক্ৰিয়া কলাপৰ মাজেদি ৰূকমী নামৰ বৌধ জনজাতিৰ বিবাহজনিত সামাজিক লোকাচাৰ, জীৱন পদ্ধতি, ৰাজকীয় শাসন ব্যৱস্থা, স্বদেশ প্ৰীতি আদি ভাব প্ৰকাশ পাইছে। ৰূপালীম আৰু মায়াব’ৰ আন্তৰিক প্ৰেমত মণিমুগ্ধই বাধা ৰূপে থিয় দিছে। মণিমুগ্ধই তুচ্ছ কামনা পুৰণৰ অৰ্থে বলপূৰ্বকভাৱে ৰূপালীমক লৈ গৈছে। কিন্তু ৰূপালীমৰ সৰলতা আৰু আত্মত্যাগৰ মহিমাই মণিমুগ্ধৰ কামনাপিপাসু মনটোক পোহৰাই তুলিলে আৰু তেঁও ৰূপালীমক মুক্ত কৰি দিছে। নাট্যকাৰে বৌদ্ধ ভিক্ষুৰ পুৰতিৰ বন্দনাৰ উপস্থাপনৰ জৰিয়তে মণিমুগ্ধৰ ৰূপালীমৰ প্ৰতি থকা কামনাপিপাস ভাবৰ পৰিবৰ্তে উদ্ৰেক হোৱা সৎ মানৱীয় জ্যোতিকণাৰ ইংগিত দিছে। উপযুক্ত মঞ্চ নিৰ্দেশনা, সুষম সংগীতৰ প্ৰয়োগ আৰু চুটি অথচ বলিষ্ঠ ভাব প্ৰকাশক সংলাপৰ প্ৰয়োগে নাটকখনক সুখপাঠ্য আৰু মৰ্মস্পৰ্শী কৰি তুলিছে।

জ্যোতি প্ৰসাদৰ আন এখন নাটক হ’ল ‘লভিতা’। গান্ধীজীৰ নেতৃত্বত চলা বৃটিছ সাম্ৰাজ্যবাদী বিৰোধী আন্দোলনৰ পটভূমিত এইখন নাটক ৰচনা হৈছে। এই নাটকখনৰ জৰিয়তে নাট্যকাৰে অসমীয়া গাভৰুৰ স্বদেশ প্ৰীতি, মানৱতা তথা ভোগবাদী পুৰুষৰ নাৰীৰ প্ৰতি থকা কুদৃষ্টিক যথাথ ৰূপত তুলি ধৰিছে। নাটকখনৰ মূল চৰিত্ৰ লভিতাই নতুন যুগৰ নতুন চেতনাৰ বাৰ্তাবাহক নাৰী ৰূপে ধৰা দিছে। তাই সমকালীন অসমীয়া সমাজৰ পৰম্পৰাগত কুসংস্কাৰৰ বলিশালৰ পৰা আঁতৰি আহি দেশ আৰু জাতিৰ স্বাৰ্থত আত্মনিয়োজিত হৈছে। মিত্ৰ বাহিনী নিগ্ৰো সৈন্যৰ হাতৰ পৰা কথমপি ৰক্ষা পৰা, প্ৰেমিক গোলাপে মিত্ৰ বাহিনী নিগ্ৰো সৈন্যৰ হাতত লাঞ্ছিতা হোৱাৰ অজুহাতত তাইক এৰি যোৱা আদি জীৱনৰ কৰুণ ঘটনায়েও তাইৰ মন বিচলিত কৰিব পৰা নাই। বৰঞ্চ জীৱনৰ এনে কঠিন পৰিস্থিতিৰ মাজতো তাই সেনাবাহিনীক শুশ্ৰুষা কৰা নাৰ্ছৰ দৰে পৱিত্ৰ কৰ্মত নিয়োজিত হৈছে। সৰ্বশেষত দেশ আৰু জাতিৰ স্বাৰ্থত ‘আজাদ হিন্দ ফৌজ’ৰ সেনাবাহিনীত সোমাই শত্ৰু সৈন্যৰ হাতত প্ৰাণ বিসৰ্জন দিছে।

‘নিমাতী কইনা’ বা ‘ৰূপকোঁৱৰ’ (১৯৬৪) হৈছে এখন গীতি নাটক। কাল্পনিক কাহিনীৰ আধাৰতত গঢ় লৈ উঠা এই নাটকৰ জৰিয়তে নাট্যকাৰ জ্যোতিপ্ৰসাদৰ শিল্প চেতনাই প্ৰাণ পাই উঠিছে। ৰতনপুৰৰ ৰজা সবিতাপ্ৰিয়ৰ জীয়েক নিমাতী কইনাই মাত নামাতে। উপায় নাপাই ৰজাই জীয়েক নিমাতীৰ মুখৰ পৰা মাত উলিওৱাজনক অৰ্ধৰাজ্য আৰু ৰাজকন্যা দিয়াৰ প্ৰতিজ্ঞা কৰিলে। অৰ্ধৰাজ্য আৰু ৰাজকন্যা লাভৰ প্ৰলোভনত নানা প্ৰদেশৰ পৰা অহা ওজা, নৃত্য কুশলী, ৰাজকোঁৱৰ আদিয়ে নিমাতীৰ মুখৰ মাত উলিয়াবৰ চেষ্টা কৰিলে যদিও সফল হ’ব নোৱাৰিলে। শেষত ব’ৰাগী ভাটৰ বেশত অহা ৰূপকোঁৱৰে অৰ্ধৰাজ্য আৰু ৰাজকন্যা লাভৰ চৰ্ত অবিহনে যাবৰ পৰত গোৱা গীতৰ জৰিয়তে নিমাতীৰ মুখৰ মাত ওলাইছে। ব’ৰাগী ভাট বেশী ৰূপকোঁৱৰৰ স্বাৰ্থবিহীন আৰু লোভহীন সংগীত সাধনাৰ জৰিয়তে নিমাতীৰ মুখৰ মাত ওলোৱা কাৰ্যৰ জৰিয়তে নাট্যকাৰ আগৰৱালাই শিল্পীৰ প্ৰকৃত শিল্প সাধনাৰ মহত্ত্ব আৰু গুৰুত্বক উপলব্ধি কৰিবলৈ অৱকাশ প্ৰদান কৰিছে।

জ্যোতিপ্ৰসাদৰ অন্যতম পূৰ্ণাংগ নাটক

'খনিকৰ'ৰ মূখ্য চৰিত্ৰ নবীন কুমাৰে ভাস্কৰ্য শিল্প সাধনাৰ কঠোৰ সংগ্ৰামত ব্ৰতী হৈছে। তেঁও নিজৰ সংগ্ৰামৰ বলত ভাৰতৰ কলিকতা, ব'ম্বে আদিৰ নিচিনা ঠাইত পৰিচিত হৈছে। তেঁওৰ ভাস্কৰ্য শিল্পই হাৰ্বড বিশ্ববিদ্যালয়ৰ আৰ্ট কলেজৰ প্ৰিন্সিপাল ইবেনষ্টেইনৰো দৃষ্টি আকৰ্ষন কৰিছে। আনকি তেঁওৰ ভাস্কৰ্য শিল্পই পেৰিচ চহৰৰ অৰিয়েন্টেল একজিভিচনত 'ফিফটি ঠাউজেণ্ড ফ্ৰাংক'ৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। নবীনৰ শৈল্পিক সৃষ্টিৰাজিয়ে জনস্বীকৃতি লাভ কৰা ঘটনাৰ জৰিয়তে নাট্যকাৰে শিল্পীৰ শিল্প সাধনাৰ মহত্বকে ফুটাই তুলিছে। তদুপৰি নবীনৰ এনে কাৰ্যকলাপৰ জৰিয়তে পাঠক সমাজে জীৱনৰ কঠিন পৰিস্থিতিৰ মাজতো আগবাঢ়ি যোৱাৰ প্ৰবল প্ৰেৰণা লাভ কৰিব পাৰে বুলি ভবাৰ থল আছে।

জ্যোতিপ্ৰসাদৰ কাব্য নাটক হৈছে 'সোণপখিলী'। ই এখন অসম্পূৰ্ণ শিশু নাটক। নাটকখনত কল্পনাৰ আধিক্য দেখা পোৱা যায়। নাটকখনৰ চতুৰ্থ দৃশ্যত কাৰেঙৰ ভিতৰৰ মৃদু সংগীতৰ গুঞ্জন ধ্বনিৰ মাজত এটা বিকট আকাৰৰ ক'লা দৈত্যই টোপনি যোৱা সোণপখিলীক বিচি থকা কাৰ্যই সংস্কৃতিসুলভ সংগীতৰ মহিমা ফুটাই তুলিছে। নাটকখন অসম্পূৰ্ণ যদিও ইয়াৰ আংশিক ঘটনাই জ্যোতিপ্ৰসাদৰ শিল্প দৰ্শনকে প্ৰকাশ কৰিছে যেন ধাৰণা কৰিব পাৰি।

'কনকলতা' হৈছে জ্যোতিপ্ৰসাদৰ আন এখন অসম্পূৰ্ণ নাটক। নাটকখন সম্পূৰ্ণ হোৱাহেঁতেন ই আধুনিক অসমীয়া জাতিৰ এটা যুগৰ দলিল ৰূপে পৰিগণিত হ'লহেঁতেন। তথাপিও কনকলতাৰ চৰিত্ৰৰ মাজত জাতীয়তাবোধৰ আভাস পোৱা যায়।

'সুন্দৰ কোঁৱৰ' জ্যোতিপ্ৰসাদৰ কাল্পনিক নাটক। নাটকখন অসম্পূৰ্ণ ৰূপত পোৱা গৈছে। সুন্দৰ কোঁৱৰে ৰাজমাতৃৰ উপদেশ প্ৰত্যাহাৰ কৰি যুদ্ধ আৰু ৰাজকীয় ভোগবিলাসৰ পৰা বিৰত থাকি নৈতিক চেতনাৰ জৰিয়তে অপসংস্কৃতিৰ বিৰুদ্ধে থিয় দিছে। সুন্দৰ কোঁৱৰৰ এই চাৰিত্ৰিক কাৰ্যকলাপৰ জৰিয়তে জ্যোতিপ্ৰসাদৰ সত্য আৰু সুন্দৰৰ ৰূপান্তৰ চেতনা প্ৰকাশ পাইছে।

জ্যোতিপ্ৰসাদৰ নাটককেইখনৰ মাজেদি তেঁওৰ সৃষ্টিশীল নাট্যপ্ৰতিভাই প্ৰাণ পাই উঠিছে। বিষয়ৰ মিতব্যয়িতা, পৰিৱেশ আৰু পৰিস্থিতিৰ লগত খাপ খাব পৰা উপযুক্ত চৰিত্ৰৰ সংযোগ, চুটি অথচ গভীৰ ভাব প্ৰকাশক সংলাপ প্ৰয়োগ, নাট্য কাহিনীৰ লগত খাপ খাব পৰাকৈ উপযুক্ত সংগীতৰ প্ৰয়োগ, পশ্চিমীয়া নাটকৰ সংঘাত, আকস্মিকতা আদি নাট্যকৌশলৰ সুপ্ৰয়োগ, নায়িকা প্ৰধান নাটক ৰচনাৰ ওপৰত গুৰুত্ব আদি কিছুমান বিশেষত্বৰ বাবে জ্যোতিপ্ৰসাদৰ নাটকে অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

সহায়ক গ্ৰন্থঃ

১। বৰুৱা, প্ৰহ্লাদ কুমাৰ; 'জ্যোতি মনীষা', বনলতা, ডিব্ৰুগড়, চতুৰ্থ প্ৰকাশ, ডিচেম্বৰ, ২০০৯।
২। বৰুৱা, প্ৰফুল্ল কুমাৰ; 'জ্যোতিপ্ৰসাদৰ নাটক', বনলতা, ডিব্ৰুগড়, চতুৰ্থ সংস্কৰণ, জুলাই, ২০০৯।
৩। বৰুৱা, ভৱেন; 'প্ৰসংগ জ্যোতিপ্ৰসাদ', বনলতা, ডিব্ৰুগড়, দ্বিতীয় সংস্কৰণ, ২০১২।
৪। শইকীয়া, নগেন; (সম্পা.) 'ৰূপকোঁৱৰ নাট্যাৱলী', কৌস্তভ প্ৰকাশ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০১১।
৫। শৰ্মা, সত্যেন্দ্ৰনাথ; 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত', সৌমাৰ প্ৰকাশ, গুৱাহাটী, দশম সংস্কৰণ, জুন, ২০১১।

❖❖❖❖

# ধৰ্ম অহংকাৰ

✍ বিনীতা বৰপাত্ৰ গোহাঞি
প্ৰাক্তন ছাত্ৰী
অসমীয়া বিভাগ

সাধাৰণতে সকলো ধৰ্ম সকলো সম্প্ৰদায়ৰ মানুহেই নিজৰ ধৰ্মটোক উচ্চ আসনত বহুৱাই আত্মসন্তুষ্টি লাভ কৰে। নিজৰ ধৰ্মটোক বেয়া বা অসত্য বুলি নাভাৱে। এনে দৃষ্টিভংগীৰ বাবেই একেলগে বসবাস কৰা মানুহৰ মাজত বিভেদ আৰু অশান্তি সৃষ্টি হৈ সময়ে সময়ে মানৱ সমাজৰ অশেষ ক্ষতিগ্ৰস্থ হ'বলগা হৈছে। তথাপি ধৰ্মৰ প্ৰতি অসাৰ অলৌকিক চিন্তাৰ পৰা মুক্ত হ'ব পৰা নাই। ইয়াৰ কাৰণ হ'ল অন্য ধৰ্মৰ সম্পৰ্কে জ্ঞানৰ অভাৱ আৰু নিজৰ ধৰ্মৰ মৌলিক উদ্দেশ্যবোৰ ভালদৰে উপলব্ধি নকৰা। যাৰ ফলত ধৰ্মৰ ক্ষেত্ৰত অহংকাৰ, অভিমান, ধৰ্ম বিৰোধ আৰু আন ধৰ্মক হীন চকুৰে চোৱাৰ মনোভাৱ গঢ়ি উঠিছে।

জ্ঞানে মানুহৰ মনত আলোক সঞ্চাৰ কৰি মনৰ অজ্ঞতা দূৰ কৰে। ধৰ্মৰ সত্যতাক উপলব্ধি কৰায় আৰু জ্ঞানে অন্তদৃষ্টি দান কৰে। ধৰ্মৰ সত্যতাক উপলব্ধি কৰাত জ্ঞানে-অন্তদৃষ্টি দান কৰাৰ লগতে ধৰ্মৰ সত্য উপলব্ধি কৰাত সহায় কৰে। ধৰ্মৰ সত্য দূৰৰ পৰা জিলিকা বস্তু নহয়। ধৰ্মৰ সত্যক মায়াৰ ঢাকনিৰে ঢাকি ৰাখিছে। সেই ঢাকনি মেলিলেই ইয়াৰ সত্য দেখা যায়। ধৰ্মৰ মূল কথাবিলাক শব্দৰ বাকলিৰে ঢাক খাই থাকে সেইবিলাক গুচালেই ইয়াৰ সত্য উপলব্ধি কৰিব পাৰি। আমাৰ দৰে সাধাৰণ মানুহৰ বাবেইতো কথাই নাই। পণ্ডিতসকলৰ সংকীৰ্ণ মনৰ পৰা মুক্ত হ'ব নোৱাৰিলে পৰমাৰ্থিক সত্যৰ পৰা বহু আঁতৰত থাকিবলগীয়া হয়। ধৰ্মৰ সম্পৰ্ক পৰমাৰ্থিক সত্যৰ লগত জড়িত। এই পৰমাৰ্থিক সত্য বিদ্বানজনেহে আহৰণ কৰিব পাৰে- এনে কোনো কথা নাই। অশিক্ষিতজনেও লাভ কৰিব পাৰে। বিদ্বানসকলৰ বহুতে পৰমাৰ্থিক সত্যত অন্ধ হৈ সমাজত ধৰ্মক লৈ বিভেদভাৱ সৃষ্টি কৰি বিবাদৰ সূত্ৰপাত কৰে। শিক্ষিতই হওক বা অশিক্ষিতই হওক সমাজৰ সৰহ সংখ্যকে ধৰ্মৰ সত্যৰ ফালে পিঠি দি ধৰ্মৰ ক্ৰিয়া কলাপ, ৰীতি-নীতিকে আচল ধৰ্ম বুলি সাৱটি থাকে। স্থান কাল ভেদে এই ৰীতি নীতিবোৰ বেলেগ হোৱাৰ ফলত ধৰ্মৰ এই ৰীতি-নীতিয়ে সমাজত বিদ্বেষ ভাব সৃষ্টি কৰিছে। নিজ ধৰ্মক লৈ প্ৰকৃত ধৰ্মক দূৰলৈ ঠেলি দিছে।

অন্ধভাবে ধৰ্মকলৈ বিভেদ ভাব সৃষ্টি কৰিলে সমাজত বিবাদৰ সূত্ৰপাত হয়। শিক্ষিত বা অশিক্ষিত সমাজৰ সৰহ সংখ্যকেই ধৰ্মৰ ফালে পিঠি দি অনীতিক নীতি বুলি গ্ৰহণ

কৰিছে। ধৰ্মৰ নামত বলীয়া কিন্তু কাৰ্যৰ ক্ষেত্ৰত তাৰ পৰিপন্থী। ধৰ্মৰ পৰিধি চেৰাই নানা ধৰণৰ দুষ্ট কাৰ্য কৰি গৈছে। ভগৱানৰ প্ৰতি ভক্তি, ভয়, আস্থা অজ্ঞাতসাৰে হেৰুৱাই পেলাইছে। বিনা দ্বিধাই নিজৰ কাৰ্য পুৰণৰ বাবে কাম কৰি হাই-কাজিয়া সৃষ্টি কৰিছে আৰু ধৰ্মীয় বিষাক্ত ধোঁৱাই উশাহ-নিশাহ ল'ব নোৱাৰা অৱস্থাৰ সৃষ্টি কৰিছে। এনে অৱস্থাৰ বাবে ধৰ্ম দায়ী নহয়। অধৰ্মক ধৰ্ম বুলি, অসত্যক সত্য বুলি, অনিত্যকো নিত্য বুলি সাৱটি থকা সকলেহে প্ৰকৃততে দায়ী। পৃথিৱীৰ সকলো মানুহৰ আত্মা একে আৰু সকলো ধৰ্মৰে লক্ষ্যও একে। সেইবাবেই আধ্যাত্মিক স্থান কালৰ লগত খাপ খোৱাকৈ মহাপুৰুষসকলে সমাধানৰ পথ দেখুৱাই গৈছে। কোনো ধৰ্ম গ্ৰন্থতেই বিভেদৰ বীজ নাই। এইকথা পতিয়ন যাবলৈ হ'লে আমি ধৰ্মৰ গ্ৰন্থ সমূহ অধ্যয়ন কৰাটো অতি আৱশ্যক। আমি আন ধৰ্মৰ গ্ৰন্থসমূহ পঢ়াটো দূৰৰ কথা নিজৰ ধৰ্ম গ্ৰন্থকো অধ্যয়ন নকৰো। ধৰ্মগ্ৰন্থ অধ্যয়ন কৰিলেহে ধৰ্মৰ স্বৰূপটো জানিব পাৰি আৰু আন ধৰ্মৰ প্ৰতি সহিষ্ণুতাৰ ভাৱ জাগ্ৰত কৰিব পাৰি। ধৰ্মীয় বিভাজনৰ অন্তৰালত অহংকাৰ নিহিত হৈ আছে। মহাপুৰুষসকলে কোৱা নাই যদিও পুৰণি পৰম্পৰাৰ পৰা আমি মুক্ত হ'ব পৰা নাই। ধৰ্মীয় ৰীতি-নীতিকে প্ৰকৃত ধৰ্ম বুলি ভাবি এনে ৰীতি-নীতিৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি মানুহে সমাজৰ লগত সম্বন্ধ ৰাখি চলে। ইয়াক উপেক্ষা কৰোঁতাজনক সামাজিকভাৱে বহিষ্কাৰ নাইবা সমাজচ্যুত কৰি শাস্তি প্ৰদান কৰে। বৰ্তমানত গতিশীল যুগত এই জাতিভেদ কিমান প্ৰয়োজন তাক গভীৰভাৱে চিন্তাকৰাৰ সময় সমাগত।

মহাপুৰুষে ভাগৱত শাস্ত্ৰত স্পষ্টভাৱে উল্লেখ কৰি গৈছে - য'ত হিংসা থাকিব তাত প্ৰেম নাই বা থাকিব নোৱাৰে। য'ত শ্ৰদ্ধা, ভক্তি সকলোৰে বাবে সমান নহয় তাত প্ৰেম আৰু ন্যায় থাকিব নোৱাৰে। য'ত গৰ্ব আৰু অহংকাৰ থাকিব তাত সমতা আৰু মৈত্ৰী থাকিব নোৱাৰে। য'ত আন্তৰিকাহীন ধৰ্ম, ধৰ্ম মন্দিৰ থাকিব তাত প্ৰকৃত ধৰ্ম নাই। ধৰ্ম বাদ-বিবাদৰ বাবে নহয়। ধৰ্ম পৰস্পৰে পৰস্পৰৰ লগত ভাব-বিনিময়, সমন্বয় আৰু শান্তিৰ বাবেহে।

ঔম শান্তি শান্তি শান্তি।

❖❖❖❖

# ড° নগেন শইকীয়াৰ চুটি গল্প ঃ এটি আলোচনা

পাৰ্থজিত গগৈ
তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

সাম্প্ৰতিক সময়ত যিসকল লেখক লেখিকাই অসমীয়া গল্প সাহিত্যৰ জগতখনক নিৰৱচ্ছিন্ন অৱদানেৰে চহকী কৰি আহিছে তেখেতসকলৰ ভিতৰত ড° নগেন শইকীয়া অন্যতম। কুৰি শতিকাৰ পঞ্চাশৰ দশকতে গল্প ৰচনা আৰম্ভ কৰি ষাঠিৰ দশকত প্ৰতিষ্ঠা লাভ কৰা ড° নগেন শইকীয়া অসমীয়া সাহিত্য জগতৰ এজন সু-প্ৰতিষ্ঠিত লেখক। বৰ্তমানলৈকে একাধিক গল্পৰ অৰিহণা আগবঢ়োৱা শইকীয়াদেৱৰ গল্প সম্পৰ্কে বিশেষ আলোচনা হোৱা নাই। যি দুই এঠাইত সামান্য আলোচনা হৈছে সেইবোৰতো ড° নগেন শইকীয়াই চুটিগল্পৰ আংগিক কৌশলৰ ওপৰতহে গুৰুত্ব দিয়া বুলি অভিমত প্ৰকাশ কৰিছে। কিন্তু তেখেতে নিজৰ গল্পৰ বিষয়ে মন্তব্য কৰি কৈছে - "বহুতে ভবাৰ দৰে আংগিকৰ পৰীক্ষা নিৰীক্ষাৰ বাবে মই গল্প লেখা নাই, বৰং বিষয়বস্তুৰ ব্যঞ্জনাৰ ওপৰতহে আংগিক আৰু প্ৰকাশ ৰীতিক নিৰ্ভৰ কৰিবলৈ দিছো।"

ড° নগেন শইকীয়াদেৱৰ প্ৰতিটো গল্পই একো একোটা বিশেষ ভাবধাৰাৰ পৰিচয় দিয়ে। কোনোবা এটা গল্পত যদি চেতনাশ্ৰুত ধাৰাৰ প্ৰবাহ সুস্পষ্ট কোনোবা এটা গল্পত আকৌ এবছাৰ্ড দৰ্শনৰ প্ৰভাৱ স্পষ্ট। তদুপৰি ড° নগেন শইকীয়াৰ বহু গল্পত অৱস্থিতিবাদী ভাবধাৰায়ো অতি শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে। 'নদীৰ পাৰত মোৰ অস্তিত্ব', 'এটা বিন্দুৰ মাজত' আদি গল্পত অৱস্থিতিবাদী ধ্যান ধাৰণাৰে জীৱনৰ অস্তিত্ব সন্ধান কৰিবলৈ যত্ন কৰা হৈছে। এইকেইটা গল্পৰ মাজেৰে বিমূৰ্ত ভাবনাৰে জীৱন সত্তাৰ অনুসন্ধান আৰু জীৱনৰ পৰিৱৰ্তনীশীল ৰূপ বা অস্তিত্বৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। জীৱনৰ যে কোনো এটা স্থিৰ বা অপৰিৱৰ্তনীয় ৰূপ থাকিব নোৱাৰে, অৱস্থিতিবাদী এই সত্যটো বহু গল্পৰ মাজেৰে ক'বলৈ যত্ন কৰা হৈছে। তেখেতৰ গল্পত অৱচেতন জগতৰ অনুসন্ধান অতি গভীৰ আৰু এই গভীৰতাৰে জীৱনৰ অস্তিত্বৰ চিৰন্তন প্ৰশ্নশীলতাক অতি প্ৰখৰ কৰি তোলা হৈছে। উদাহৰণস্বৰূপে এনে বৈশিষ্ট্যযুক্ত গল্পৰ ভিতৰত 'বন্ধ কোঠাত ধুমুহা গল্পটোৰ নাম প্ৰথমে লব পাৰি। 'বন্ধকোঠাত ধুমুহা' গল্পত মানুহৰ অবচেতন মনত নিৰন্তৰ কিছুমান অন্তহীন ভাবনাই কিদৰে প্ৰচণ্ড ক্ৰিয়া কৰি থাকে তাকে দেখুওৱা হৈছে। মানুহৰ জীৱনটো চেতন মনে যিমানেই শৃংখলিত কৰি নাৰাখক ৰাখিলে; অৱচেতন মনে কিন্তু কোনো প্ৰকাৰৰ শৃংখলাকে মানিব

নোখোজে । মানুহৰ মনো জগত অথবা অৱচেতনাৰ জগতত কি এক ভয়াল আৰু বাভৎস ধুমুহা নিৰন্তৰ চলি থাকে তাকে দেখুওৱা হৈছে বন্ধ কোঠাত ধুমুহা গল্পৰ মাজেদি ।

নগেন শইকীয়াৰ গল্পত ফৰ্মৰ ওপৰত গুৰুত্ব আছে, ই নথকা নহয় । কিন্তু তেখেতে নিজৰ গল্পৰ সম্পৰ্কে মন্তব্য কৰি কৈছে যে “বিষয়ৰ মাজত কণ্ট্ৰাডিকচন এটা নাথাকিলে বা সৃষ্টি কৰিব নোৱাৰিলে মই লিখিব নোৱাৰোঁ। এনেকুৱা অক্ষম অৱস্থাত হতাশ হওঁ । বহুতেই মই ফৰ্মৰ ওপৰত গুৰুত্ব দিও বুলি ভাবে । নহয় । মই আইডিয়া একোটাক মনোদন্দ্বৰ মাজেৰে প্ৰকাশ কৰিব খোজোঁ বাবেই ফৰ্ম নতুন হ'ব খোজে । নগেন শইকীয়াৰ গল্পৰ যি মটিফ সেই মটিফৰ বাবে ঠিক তেখেতে গ্ৰহণ কৰা ধৰণৰ ফৰ্মেই লাগিব। অন্য ফৰ্মত তেখেতৰ গল্প গল্প হৈ নুঠে । কিন্তু এতিয়া মত প্ৰশ্নৰ উদয় হয় । নগেন শইকীয়াৰ সকলোবোৰ গল্পৰ ফৰ্ম একে জানো ? মুঠেই নহয় । ‘আন্ধাৰত নিজৰ মুখ’ নামৰ গল্প সংকলনটোত ঠাই পোৱা ‘মজিদ চাৰ ঢুকাল’ গল্পটোৰ ফৰ্ম ‘অন্তিম অপেক্ষা’, ‘নদীৰ পাৰত মোৰ অস্তিত্ব’, ‘নিসংগ অস্তিত্ব’ আদি গল্পৰ ফৰ্মৰ সৈতে একে নহয় । ‘মজিদ চাৰ ঢুকাল’ গল্পটো অসমীয়া পৰম্পৰাবাদী গল্পৰ ধাৰাটোৰ অন্তৰ্ভুক্ত গল্প আৰু সেইবাবে ইয়াত এজন টিপিকেল ধৰণৰ শিক্ষকৰ চৰিত্ৰ আৰু সেইধৰণৰ চৰিত্ৰৰ প্ৰতি এটি তথাকথিত সমাজৰ দৃষ্টিভংগী প্ৰকাশ কৰিবৰ বাবে বৰ্ণনাধৰ্মিতাৰ আশ্ৰয় ল'ব লগা হৈছে । অন্যহাতে ‘অন্তিম অপেক্ষা’, ‘নিসংগ অস্তিত্ব’ আদি গল্পবোৰত বৰ্ণনাৰ স্থান নাই । নগেন শইকীয়াৰ অগতানুগতিক ফৰ্মৰ চাতুৰ্যই গল্পক এনেদৰে আৱৰি ধৰে যে, বহুসময়ত বহু পাঠকে লেখকজনৰ বক্তব্যৰ আত ধৰিব নোৱাৰা হয় । সেইবাবে নগেন শইকীয়াৰ গল্পত যে প্ৰখৰ সমাজচেতনা আছে, তেখেত যে প্ৰখৰ সমাজ সচেতন লেখক, এইষাৰ কথা পাঠকে সহজে অনুমান কৰি ল'ব নোৱাৰে । ইয়াৰ মূল কাৰণ হ'ল তেখেতে সমাজ সচেতনতাক আন পৰম্পৰাবাদী লেখকসকলৰ দৰে কাহিনী নিৰ্মাণ কৰি অথবা চৰিত্ৰ সৃষ্টি কৰি চৰিত্ৰৰ কাৰ্যৰ বৰ্ণনাৰ দ্বাৰা প্ৰকাশ কৰা নাই । বৰ্ণনাৰ পৰিৱৰ্তে আৱেগ সঞ্চাৰী উক্তি, প্ৰত্যুক্তি, উত্তেজনাপূৰ্ণ বাতাবৰণ এটা সৃষ্টি কৰি তাৰ মাজেদিয়ে সমাজৰ কদৰ্যপূৰ্ণ শ্ৰেণীচৰিত্ৰক সমালোচনা কৰিছে । উদাহৰণস্বৰপে তেখেতৰ ‘ছবি আৰু ফ্ৰেম’, ‘তাৰুণ্যৰ আত্মহত্যা’, ‘এন্দুৰ আৰু এন্দুৰ’ আদি গল্পবোৰলৈ আঙুলিয়াব পাৰি । সমাজৰ শোষক, পীড়ক, ৰাজনীতিকৰ চলচাতুৰী আৰু তথাকথিত ভদ্ৰলোকৰ ভণ্ডামিৰ বিভৎস সমালোচনা উল্লিখিত গল্পকেইটাত উপচি আছে।

জ্যাঁ পল চাৰ্টে ক'বৰ দৰে- ‘Man is nothing else they the ensemble of his acts, nothing else then his life'. নগেন শইকীয়াৰ গল্পৰ যিবোৰ চৰিত্ৰই নৈতিক স্খলন, আদৰ্শ পতিত অপৰাধবোধ, দ্বন্দেৰে জৰ্জৰিত হৈ আইনাৰ সন্মুখত থিয় হয়হি সেই সকলোবোৰেই যেন চাৰ্টেৰ ভাষাৰে সেই in-authentic human beings living in bad faith! নগেন শইকীয়াৰ গল্পৰ চৰিত্ৰবোৰেও যেন, অস্তিত্ববাদীসকলৰ সাহিত্যত সৃষ্টি হোৱা চৰিত্ৰসমূহৰ সেই অস্তিত্বজনিত ‘angst’ আৰু তাক অতিক্ৰমন কৰাৰ সেই ‘angst'ৰ অভীপ্সাক কঢ়িয়াই ফুৰে । অস্তিত্ববাদী চৰিত্ৰসমূহৰ চেতনাত

অহৰহ উদ্ভৱ হোৱা শূন্যতা - 'Void' ৰ ভাৱনাত পিষ্ট হৈ এই চৰিত্ৰবোৰেও যেন নিৰন্তৰ স্ব সত্তা সচেতনতাৰ দ্বন্দাত্মক প্ৰক্ৰিয়াৰে তাক মৰিষণ কৰাৰ প্ৰয়াসত ছটফটাই থাকে। যেন জ্যাঁপল চাৰ্টেৰ সেই 'the awarenesa to drag himself out of the mud' সেইবাবেই হয়তো নগেন শইকীয়াৰ প্ৰায়বোৰ গল্পৰ চৰিত্ৰই আত্মানুসন্ধানৰ প্ৰক্ৰিয়াৰে জীৱনৰ লক্ষ্য অৰ্থ অনৰ্থৰ অন্বেষণ কৰি ফুৰোঁতে অহৰহ কিবা এটা বিচাৰি ফুৰে । কি এই কিবা এটা ? পাৰ্থিৱ জগতৰ সিপাৰে অৰ্থপুৰ্ণ অপাথিৱ কিবা এটা ? জীৱন ৰুটিনবদ্ধ দৈনন্দিন প্ৰাত্যহিকতা, চৌপাশৰ চিৰপৰিচিত পাৰিপাৰ্শ্বিকতাৰ উৰ্দ্ধত কিবা এটা। 'এটা আকাংখিত শব্দৰ প্ৰতীক্ষাত', 'হঠাৎ এদিন', 'অন্তিম অপেক্ষা', 'নদীৰ পাৰত মোৰ অস্তিত্ব', 'এজন বুদ্ধৰ আত্মপ্ৰবঞ্চনা'- এই সকলোবোৰ গল্পৰ কেন্দ্ৰীয় সুৰ হৈছে যেন সেই কিবা এক 'transcendental' সত্যৰ নিৰন্তন সন্ধান ।

নগেন শইকীয়া গল্পৰ ভাববস্তু জটিল । জটিলতাৰ কাৰণ একমাত্ৰ ফৰ্মেই নহয় ; পশ্চিমৰ বহুজন বৰেণ্য লেখক উষ্টয়ভস্কি চেকভ, গৰ্কী, ষ্টেইনবেক, ক্যেমু, বেকেট আদিৰ নতুন নতুন আৰু আচহুৱা ধৰণৰ সাহিত্যৰ প্ৰভাৱ । 'এখন আচৰিত আয়নাৰ সন্মুখত', 'সূৰ্যৰ উত্তাপ এতিয়া হৃদয়ত', 'নিৰ্বিশেষ সময়', 'প্ৰতিভাসিক' আদি বহু গল্পত সচেতন অথবা অসেতনভাৱেই হওক জেমচ জয়চৰ চেতনাস্ৰোতৰ' প্ৰভাৱ সুস্পষ্ট । আনহাতে ক্যেমু আৰু বেকেট এই দুয়োজন লেখকৰ এবচাৰ্ড দৰ্শনৰ দুৰণিবটীয়া প্ৰভাৱ এটায়ো যেন জ্ঞাতে বা অজ্ঞাতে নগেন শইকীয়াৰ গল্পত ভুমুকিয়াব ধৰিছে । উদাহৰণস্বৰূপে শইকীয়াদেৱৰ 'অন্তিম অপেক্ষা' আৰু 'চাৰিজন ডেকা আৰু এটা মৰাশ' এই দুটা গল্পৰ মাজেৰে এবচাৰ্ড দৰ্শনে স্থিতি লাভ কৰিছে। মানুহ প্ৰকৃতিৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ দুখবোধ, জীৱনৰ পৰা চিৰন্তন কিবা এটা হেৰাই যোৱাৰ বিষাদ, মানুহৰ প্ৰকৃত স্বৰূপ আৰু তাৰ সৃজনীশীল সত্তাৰ অবোধগম্য ৰূপ, প্ৰকৃতিৰ বিভিন্ন 'মুদ'ৰ স'তে মানুহৰ মন-মেজাদ-মুদৰ সমৰূপতা, মানুহৰ স্বাভাৱিক চিৰন্তন প্ৰবৃত্তিবোৰৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ প্ৰতি আগ্ৰহ আৰু বদ্ধজীৱনৰ নিৰ্দিষ্ট পৰিক্ৰমাৰ পৰা মুক্তিলাভৰ হাবিয়াস আদিৰ দৰে ৰমন্যাসিক ভাবাদৰ্শগত ধাৰণাবোৰৰ বেশ তেওঁৰ গল্পত নিবিড়ভাৱে লাগি আছে। 'নদীৰ বুকুত স্তব্ধতা'ৰ দৰে গল্পত এখন চহৰৰ মনোভাৱৰ অধ্যয়ন আৰু তাৰ অধ্যয়ন প্ৰক্ৰিয়াৰ মাজেৰে সময়ৰ গতি বা স্থান কাল আদিৰ দৰে দাৰ্শনিক অভিধাৰণবোৰৰ ছাঁত মহাকালে কঢ়িয়াই অনা যুগজ পৰিৱৰ্তনবোৰক অনুধাৱন কৰা হৈছে । আনহাতে তেখেতৰ 'ষ্টাফ ফটোগ্ৰাফাৰৰ ছবি', 'মজিদ ছাৰ ঢুকাল' আদিৰ দৰে সকলোবোৰ গল্পৰ প্ৰেক্ষাপটত ন্যায়নিষ্ঠতা আৰু ৰাজনৈতিক প্ৰত্যাবৃত্তিৰ ৰেঙনি বিৰাজমান। 'ষ্টাফ ফটোগ্ৰাফাৰৰ ছবি' নামৰ গল্পৰ পৰিণতিৰ নাটকীয়তা আৰু সততাই ফটোগ্ৰাফাৰ তথা ফটো সাংবাদিকতাৰ স'তে জড়িত চিৰন্তন দ্বন্দবোৰ প্ৰকট কৰিছে যে এখন 'কলাত্মক' ফটো তোলাটো মানৱীয় নে তাৰ পক্ষ লোৱাটো এজন ফটোগ্ৰাফাৰৰ বাবে অধিক গ্ৰহণযোগ্য? (চোমালিয়াৰ দুৰ্ভিক্ষ পীড়িত শিশুটোক শগুণে খাবলৈ অহা সেই কালজয়ী ছবিখনৰ পৰা পাপাৰাজিয়ে ডায়েনাৰ শেষ সময়ত তোলা ছবিখনৰ নিদৰ্শনলৈকে এই প্ৰশ্নটো বৰ্তমানৰ 'Media Sensationalism' ৰ যুগত অতিকে

প্ৰাসংগিক প্ৰশ্ন)। 'মজিদ ছাৰ ঢুকাল' গল্পটোতো বাতৰি কাকতত গৰম খবৰ পৰিৱেশন নে শুভবোধসম্পন্ন খবৰৰ প্ৰসাৰ অধিক প্ৰয়োজনীয় সেই প্ৰশ্নটোৰ লগতে সাংবাদিকতাৰ প্ৰকৃত কৰ্তব্য আৰু ধৰ্ম বিষয়ত দ্বন্দবোৰ সাৰ্থকৰূপত উপস্থাপিত হৈছে। উপৰ্যুক্ত আলোচনাৰ পৰা দেখা যায় নগেন শইকীয়াৰ গল্পৰ জগতখনো যেন অপাৰ্থিব – পাৰ্থিৱ প্ৰসংগবোৰেৰে অংগাগীভাৱে সংশ্লেষিত হৈ এক ন্যায়নিষ্ঠ আদৰ্শ (Ideal) জীৱনৰ কল্পনাৰে পৰিচালিত হৈছে। আধুনিক আৰু ঐতিহ্য পৰম্পৰাৰ সংশ্লেষণত গঢ় লৈ উঠা ভাবাদৰ্শৰে পৰিচালিত লেখকৰ মনত ভাৰতীয়ত্বৰ শিখা কেনেদৰে গভীৰলৈ বিস্তাৰিত হৈ আছে তাৰ সাৰ্থক প্ৰমাণ আছে। 'এয়াৰপোৰ্টত' শীৰ্ষক গল্পটোত।

এনেবোৰ কাৰণতে অসমীয়া চুটিগল্পৰ পৰম্পৰা বিমুখ চুটি গল্পকাৰ কেইগৰাকীৰ ভিতৰত নগেন শইকীয়া এগৰাকী বিশিষ্ট গল্পকাৰ হিচাপে পৰিগণিত হৈছে। ভাৰতীয় দৰ্শন আৰু পৰম্পৰা যেতিয়াত গভীৰভাৱে প্ৰবাহিত হৈ থকা বৰেণ্য ব্যক্তি এজনৰ বাবেহে এনেবোৰ সম্ভৱ।

***থোৰতে ড° নগেন শইকীয়া –***

জন্ম ঃ ১১ ফেব্ৰুৱাৰী, ১৯৩৯

গল্পকাৰ, ঔপন্যাসিক, সমালোচক, ইতিহাস প্ৰণেতা, গৱেষক আদি

সাহিত্যৰাজি ঃ

চুটিগল্প ঃ 'কুবেৰ হাতীবৰুৱা' (১৯৭৬), 'ছবি আৰু প্ৰেম' (১৯৬৯), 'বন্ধ কোঠাত ধুমুহা' (১৯৭১), 'মাটিৰ চাকিৰ জুই' (১৯৭৬), 'অস্তিত্বৰ শিকলি' (১৯৭৬), 'অপাৰ্থিব পাৰ্থিব' (১৯৮২), 'আন্ধাৰত নিজৰ মুখ' (১৯৯১)

উপন্যাস ঃ 'ভগ্ন উপকূল' (১৯৮৩)

আলোচনামূলক গ্ৰন্থ ঃ 'বেকগ্ৰাউণ্ড অভ মৰ্ডান আছামিজ লিটাৰেচাৰ' (১৯৮৮), 'ঊনবিংশ শতিকাৰ অসমীয়া ভাষাৰ সংকট' (১৯৮৮), 'ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা' (১৯৯৩), 'অসমীয়া কবিতা আৰু অন্যান্য বিষয়' (১৯৯৫), 'চিন্তা-চৰ্চা' (১৯৭৭), 'অগ্নিগৰ্ভা অসম' (১৯৮৩), 'গৱেষণা পদ্ধতি পৰিচয়' (১৯৯৬), 'সাহিত্য বাদ বৈচিত্ৰ্য'।

ভ্ৰমণ কাহিনী ঃ 'আমেৰিকাত দহদিন' (১৯৮৮), 'মহাচীনৰ দিনলিপি' (১৯৯৪)

মিতভাষ ঃ 'মিতভাষ' (১৯৯৫)

সম্পাদিত গ্ৰন্থ আৰু আলোচনী ঃ 'আসাম বন্ধু', 'জোনাকী', 'আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ', 'সাহিত্যৰ বাদ বৈচিত্ৰ্য', 'অসমৰ লিপি সমস্যা', 'চন্দ্ৰধৰ বৰুৱা ৰচনাৱলী', 'শ্ৰীশ্ৰী শংকৰদেৱ', 'অসমীয়া গল্প কৌমুদী', 'মহেশ্বৰ নেওগ ৰচনাৱলী'।

প্ৰাপ্তৰটা আৰু ৰাজহুৱা সন্মান ঃ

অসম সাহিত্য সভাৰ ত্ৰিষষ্ঠিতম বিলাসীপাৰা অধিৱেশন আৰু চতুঃষাষ্ঠিতম হাওৰাঘাট অধিৱেশনৰ সভাপতি।

"আন্ধাৰত নিজৰ মুখ" চুটি গল্প সংকলনৰ বাবে ১৯৯৭ চনৰ সাহিত্য একাডেমী বঁটা লাভ।

***সহায়ক গ্ৰন্থপঞ্জী***

'অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱৰ্তন'
সম্পাদনা ঃ ড° অপূৰ্ব বৰা
'অসমীয়া চুটিগল্পৰ অধ্যয়ন'
ড° প্ৰহ্লাদ বৰুৱা

❖❖❖❖

# অসমৰ সংবাদ পত্ৰৰ ইতিহাস

শৈল্য মৰাণ
পঞ্চম যান্মাসিক, অসমীয়া বিভাগ

১৮৪৬ চনৰ অসমৰ প্ৰথমখন কাকত 'অৰুণোদই' প্ৰকাশ হৈছিল শিৱসাগৰৰ পৰা 'অৰুণোদই' প্ৰকাশৰ আগতেও অসমৰ কিছুমান ব্যক্তিয়ে সাংবাদিকতা কৰিছিল। বংগ দেশৰ পৰা প্ৰকাশিত 'সমাচাৰ দৰ্পণ' ( ১৮১৮) 'সমাচাৰ চান্দ্ৰিকা' (১৮২২), 'সম্বাদ প্ৰভাকৰ', 'বংগদূত' আদিত ভালেমান অসমীয়া লেখকে লেখা-মেলা কৰিছিল। সেইসকলৰ ভিতৰত যজ্ঞৰাম খাৰঘৰীয়া ফুকন, যাদুৰাম ডেকা বৰুৱা আৰু মণিৰাম দেৱান উল্লেখযোগ্য।

এইক্ষেত্ৰত ডº যোগেন্দ্ৰ নাৰায়ণ ভূঞাই তেওঁৰ 'গুণাভিৰাম বৰুৱা' গ্ৰন্থত লিখিছে ঃ "এওঁলোকেই আছিল তেতিয়াৰ আসাম দেশীয় অতি মান্যলোক।" 'সমাচাৰ দৰ্পণ', 'সমাচাৰ চন্দ্ৰিকা', 'সম্বাদ প্ৰভাকৰ', 'বংগদূত' আদি বাংলা সংবাদ পত্ৰৰ লগত থকা সংযোগৰ ফলত বংগৰ নতুন ধ্যান-ধাৰণা আৰু সমাজ চেতনাৰ ধাৰণাটোক এওঁলোকে অসমলৈ বোৱাই আনিব পাৰিছিল। তেওঁলোক বাংলা সংবাদ পত্ৰৰ গ্ৰাহক পাঠকেই মাত্ৰ নাছিল। আছিল লেখকো, অসম সংবাদ প্ৰেৰকো। বাংলা সংবাদ -পত্ৰৰ লগত ঘটা সংযোগৰ ফলতে তেওঁলোকৰ মন হৈ পৰিছিল কলিকতামুখী, মানসিকভাৱে তেওঁলোকে কলিকতাতে থাকিবলৈ লৈছিল। মুঠতে কলিকতাৰ লগত অসমৰ এক আত্মিক সংযোগ স্থাপিত হ'ল হলিৰাম, যজ্ঞৰাম, যাদুৰাম, মণিৰামৰ দিনৰে পৰা। বাংলা ভাষাত 'অসম বুৰঞ্জী' আৰু 'কামৰূপ যাত্ৰা পদ্ধতি' প্ৰণেতা হলিৰাম ঢেকিয়াল ফুকনৰ চিঠিপত্ৰ, যজ্ঞৰাম ফুকনে কৰা ইংৰাজী কবিতাৰ বাংলা অনুবাদ, যাদুৰাম বৰুৱাই দাঙি ধৰা হলিৰামৰ 'আসাম বুৰঞ্জী'ৰ পৰিচয় আৰু অন্যান্য ৰচনা আৰু মণিৰাম বৰভাণ্ডাৰ বৰুৱাই সম্পাদকলৈ লিখা চিঠি সমকালীন বাংলা সংবাদ পত্ৰ এফালে যেনেকৈ অসমীয়া মণিষাৰ পৰিচায়ক আনফালে তেনেকৈয়ে বংগ অসমৰ আত্মিক সংযোগৰো কাৰক। ডº অমলেন্দু গুহৰ মতে ইংৰাজী শিক্ষা লাভ কৰা প্ৰথম অসমীয়াসকল অন্যতম আছিল যজ্ঞৰাম খাৰঘৰীয়া ফুকন। যজ্ঞৰামে ১৮২৭ - ২৯ চনলৈকে কলিকতাত আছিল। কলিকতাৰ পৰা অসমলৈ অহাৰ পাছতো তেওঁ বংগ দেশৰ সংবাদ পত্ৰৰ লগত সম্পৰ্ক অটুট ৰাখিছিল। ১৮৩১ চনৰ ৩০ জুলাইত 'সমাচাৰ দৰ্পণ'ত তেওঁ 'Lucy and her bird' নামৰ ইংৰাজী কবিতা এটিৰ বাংলা অনুবাদ প্ৰকাশ কৰে। প্ৰায় একে সময়তে 'সমাচাৰ দৰ্পণ'ত (৯ জুলাই ১৮৩১) যজ্ঞৰামে সতীদাহ প্ৰথা নিষিদ্ধকৰণৰ বাবে ব্ৰিটিছ চৰকাৰক অভিনন্দন জনাই এখন চিঠি লিখে। চিঠিখনত তেওঁ ৰক্ষণশীল ব্ৰাহ্মণসকলক ঠাট্টা কৰে আৰু ৰামমোহন ৰায়ৰ কথা শ্ৰদ্ধা পূৰ্ণভাৱে উল্লেখ কৰে। সেইদৰে ১৮৩২ চনৰ ২৯ মে'ৰ 'সমাচাৰ

দৰ্পণ'ত প্ৰকাশিত যজ্ঞৰামৰ আন এখন চিঠি উল্লেখযোগ্য। এই চিঠিত তেওঁ বঙলা হৰফত মুদ্রিত হিন্দুস্তানী পাঠ্যপুথি এখন লিখাৰ কথাও চিন্তা কৰিছিল।অসমত বাতৰি কাকত নতকাত এইসকলৰ লোকে এইদৰে বংগীয় কাকতত সংবাদ সেৰা কৰাটো তাৎপৰ্যপূৰ্ণ।

উল্লেখযোগ্য যে অসমৰ প্ৰথমখন কাকত 'অৰুণোদই' ১৮৪৬ চনৰ জানুৱাৰী মাহত মাহেকীয়া হিচাপে প্ৰকাশিত হৈ ১৮৮০ চনত কাকতখনৰ প্ৰকাশ বন্ধ হয়। কাকতখন প্ৰায় ৩৪ বছৰ কাল জীয়াই আছিল । কাকতখনৰ প্ৰতিষ্ঠাপক আছিল ডং নাথান ব্ৰাউন।আৰম্ভণিতে কাকতখনৰ নাম আছিল 'অৰুণোদই সম্বাদ পত্ৰ'।১৮৫১ চনৰ পৰাই 'অৰুণোদই' নামে প্ৰকাশ পায়। আনহাতে ১৮৬১ চনৰপৰা কাকতখনৰ নামটোৰ বৰ্ণ বিন্যাস 'অৰুণোদয়' কৰা হয়।

১৮৭১ চনত অসমৰ দ্বিতীয়খন সংবাদ পত্ৰ 'আসাম বিলাসিনী' মাজুলীৰ পৰা প্ৰকাশ পায়। প্ৰথমতে মাজুলীৰ পৰা শ্ৰীধৰ ওজাৰ সম্পাদনাত সাদিনীয়াকৈ প্ৰকাশ পোৱা কাকতখন ১৯১১ চনত বন্ধ হয়। পাছত ১৯১৩ চনত কৃষ্ণকান্ত ভট্টাচাৰ্যৰ সম্পাদনাত সাদিনীয়াকৈ কাকতখন প্ৰকাশ পায়। অসমৰ পৰা প্ৰকাশিত প্ৰথমখন সাদিনীয়া বাতৰি কাকত হ'ল 'আসাম মিহিৰ' (১৮৭২)। অসমৰ পৰা প্ৰকাশিত প্ৰথমখন এদিনীয়া বাতৰি কাকত হ'ল 'দৈনিক বাতৰি' (১৯৩৫)। প্ৰথমখন অসমীয়া দৈনিক বাতৰিৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল বাগ্মীবৰ নীলমণি ফুকন। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰথমখন অসমীয়া দৈনিক বাতৰি কাকত হ'ল 'দৈনিক অসমীয়া' (১৯৪৬-১৯৪৯)। দৈনিক অসমীয়াৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল দেৱকান্ত বৰুৱা। আকৌ গুৱাহাটীৰ পৰা ইংৰাজী অসমীয়া ভাষাত প্ৰকাশিত প্ৰথমখন সপ্তাহিক কাকত হ'ল 'আসাম নিউজ' (১৮৮২-১৮৮৫)। কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল হেমচন্দ্ৰ বৰুৱা। অসমৰ পৰা প্ৰকাশিত প্ৰথমখন ইংৰাজী কাকত হ'ল 'টাইমজ অৱ আসাম' (১৮৯৫)। এই কাকতখন ডিব্ৰুগড়ৰ পৰা প্ৰকাশ হৈছিল। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰথমখন ইংৰাজী সপ্তাহিক হ'ল 'এডভোকেট অৱ আছাম' (১৯০৫)। কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল মথুৰ মোহন বৰুৱা। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰথমখন ইংৰাজী দৈনিক হ'ল 'দি আসাম ট্ৰিবিউন' (১৯৪৬)। ১৯১৯ চনৰ পৰা এই কাকতখন ডিব্ৰুগড় পৰা সাদিনীয়াকৈ ওলাইছিল। ১৯৪৬ চনত গুৱাহাটীৰ পৰা কাকতখন ইংৰাজী দৈনিক হিচাপে প্ৰকাশ পায়।

দেশৰ স্বাধীনতাৰ পূৰ্বে অসমৰ পৰা প্ৰকাশিত কিছুমান উল্লেখযোগ্য কাকত আলোচনী হ'ল - 'আসাম দৰ্পণ' (১৮৭৪), 'আসাম দীপক' (১৮৭৬), 'আসাম নিউজ' (১৮৮২), 'আসাম বন্ধু' (১৮৮৫), 'আসাম তৰা' (১৮৮৮), 'আসাম' (১৮৯৪), 'অসম বন্তি' (১৯৯০), 'আসাম ক্ৰনিকল' (১৯০৫), 'আসাম বান্ধৱ' (১৯১০), 'আসাম হেৰল্ড' (১৯১২), 'আসাম ৰায়ত' (১৯১২), 'অকণ' (১৯৮৬), 'অসমীয়া' (১৯১৮), 'অসমৰ প্ৰদীপিকা' (১৯২০), 'অসম কৃষি' (১৯১৮), 'অৰ্ঘা' (১৯২১), 'আসাম হিতৈষী' (১৯২৫), ঙ্গঅসম সাহিত্য সভা পত্ৰিকা' (১৯২৬), 'অৰুণ' (১৯২৬), 'আৱাহন' (১৯২৯), 'অকণ' (১৯৩৩), 'অসম ৰাইজ' (১৯৩৫), 'অসম' (১৯৩৫), 'অসম সেৱক' (১৯৩৭), 'অখণ্ড ভাৰত' (১৯৪৬), 'ইষ্টাৰ্ন হেৰাল্ড' (১৯০২),

'ঊষা' (১৯০৭), 'খেতিয়ক' (১৯২৫), 'ঘৰ জেউতি' (১৯২৭), চন্দ্ৰোদয়' (১৮৭৫), 'চেতনা' (১৯১৯), 'জোনাকী' (১৮৮৯), 'জন্মভূমি' (১৯২২), 'জননী' (১৯২৬), 'জেউতি' (১৯২৬), 'জয়ন্তী' (১৯৩৭), 'জনশিখা' (১৯৪১), 'টাইমজ অব্ আছাম' (১৮৯৫), 'ডেকা অসম' (১৯৩৫), 'তৰুণ অসম' (১৯৩৯), 'দীপ্তি' (১৯০৫), 'ন জোন' (১৯৩৪), 'নগৰৰ কথা' (১৯৩৫), 'প্ৰভাত' (১৯১৫), 'প্ৰভাতী' (১৮৭৪), 'পশুপালন' (১৯২৬), 'প্ৰান্তবাসী' (১৯২৭), 'পখিলা' (১৯৩৩), 'পাৰিজাত' (১৯৪১), 'প্ৰগতি' (১৯৪৪), 'পায়গাম' (১৯৪৬), 'বিজুলী' (১৮৯১), 'বাঁহী' (১৯০৯), 'বিশ্ববাৰ্তা' (১৯১১), 'বাতৰি' (১৯২৯), 'বৰদৈচিলা' (১৯৩১), 'ভৱিষ্যত অসম' (১৮৭৪), 'মৌ' (১৮৮৬), 'মইনা' (১৯২৩), 'মিলন' (১৯২৯), 'কাৰ বাতৰি' (১৯১৪), 'ল'ৰাবন্ধু' (১৮৮৮), 'সাধনা' (১৯২৪), 'সন্ত প্ৰদীপ' (১৯২৮), 'সুৰভি' (১৯৪০), 'সেউতী' (১৯৩৯)।

১৯৪৭ চন বা তাৰ পাছত প্ৰকাশ পোৱা অসমৰ কিছুমান উল্লেখযোগ্য কাকত আলোচনী হ'ল - 'অভিযাত্ৰী' (১৯৪৭), 'অসম' (১৯৫০), 'অসম বাণী' (১৯৫৫), 'অঙ্কুৰ' (১৯৫৭), 'আৰু' (১৯৫৮), 'আকাশী' (১৯৫৯), 'আসাম ল ৰিপৰ্ট' (১৯৬০), 'আমাৰ প্ৰতিনিধি' (১৯৬০), 'আলোক' (১৯৬০), 'অসম বাতৰি' (১৯৬৪), 'অসম জ্যোতি' (১৯৬৭), 'অসমীয়া' (১৯৬৮), 'অসমী' (১৯৬৯), 'অৰুণজ্যোতি' (১৯৭০), 'আমাৰ বাতৰি' (১৯৭০), 'আসাম এক্সপ্ৰেছ' (১৯৭১), 'অসম জেউতি' (১৯৭২), 'আমাৰ কবিতা' (১৯৭৩), 'আমাৰ প্ৰগতি' (১৯৭৩), 'অসমৰ জনজাতি' (১৯৭৫), 'অগ্নিগৰ্ভা' (১৯৭৭), 'অসম' (১৯৬৪), 'অভিৰুচি (১৯৭৯), 'আজিৰ বাতৰি' (১৯৭৯, সাপ্তাহিক), 'অভিযাত্ৰী' (১৯৮০), 'অস্তিত্বৰ চেতনা' (১৯৮১), 'আজিৰ কবিতা' (১৯৮৩), 'আজিৰ বাতৰি' (সাপ্তাহিক, ১৯৮৫), 'আজিৰ সময়' (১৯৮৫), 'ইস্তাহাৰ' (১৯৮০), 'উদয়াচল' (১৯৬৪), 'উৰুলি' (১৯৬৫), 'এনাজৰী' (১৯৮৪), 'একলব্য' (১৯৮৬), 'ওৰণি' (১৯৭৪), 'কবিতালতা' (১৯২২), 'কটনিয়ান' (১৯২২), 'কাণ্ডাৰী' (১৯৫০), 'কাঁচিজোন' (১৯৫১), 'কাৰ্টুন' (১৯৬৬), 'কিশোৰী' (১৯৬৯), 'কুঁহি' (১৯৭০), 'কল্পতৰু' (১৯৭৭), 'কৃষক মজদুৰ' (১৯৭৫), 'কুঁৱলী' (১৯৭৭), 'কংকন' (১৯৭৭), 'কাদম্বৰী' (১৯৭৯), 'কবিতা আৰু কবিতা' (১৯৭৯), 'কলাখাৰ' (১৯৭৯), 'কৰ্মযুগ' (১৯৮০), 'গান্ধী দৰ্শন' (১৯৬৪), 'গতি' (১৯৬৪), 'গিৰঁজনি' (১৯৭৮), 'ঘৰুৱা' (১৯৭১), ঘৰে পথাৰে' (১৯৮০), 'চিত্ৰবন' (১৯৫৬), 'চ'ছিয়েলিষ্ট' (১৯৬৬), 'চাহ মজদুৰ' (১৯৬৯), 'চিহ্ন' (১৯৭৭), 'চেতনা' (১৯৭৮), 'চেণ্টিনেল' (ইংৰাজী দৈনিক, (১৯৮৩), 'জনতা' (১৯৪৭), 'জনমভূমি' (সাপ্তাহিক ১৯৪৭), 'জ্যোতি' (১৯৪৯), 'জোনবাই' (১৯৬১), 'জোনবিৰি' (১৯৬৯), 'জনজাতি' (১৯৭২), 'জনকল্যাণ' (১৯৭৭), 'জনতা' (সাপ্তাহিক, ১৯৮০), 'জুনুকা' (১৯৮১), 'জনজীৱন' (সাপ্তাহিক ১৯৮২), 'জনক্ৰান্তি' (তিনিদিনীয়া,১৯৮৩), 'ডাক সৈনিক' (১৯৭১), 'তৰুণ' (১৯৪৭), 'ত্ৰিশূল' (১৯৭৮), 'দৈনিক যুগশঙ্খ' (বাংলা দৈনিক,১৯৬১), 'দিপক' (মাহেকীয়া, ১৯৬৩), 'দীপাৱলী' (১৯৫৩), 'দৈনিক প্ৰান্তবাসী' (বাংলা দৈনিক,১৯৫৭), 'দৈনিক অসম' (অসমীয়া দৈনিক, ১৯৭২), 'দেশবাসী' (১৯৮০), 'দাপোন' (১৯৮১), 'দূত' (১৯৮৪),

‘ধনশিৰি’ (১৯৮০), ‘নতুন অসম’ (সাপ্তাহিক, ১৯৪৭), ‘নতুন অসমীয়া’ (অসমীয়া দৈনিক,১৯৪৯-১৯৮২), ‘নাম ধৰ্ম’ (১৯৬১), ‘নিবোদয়’ (১৯৫৩), ‘নাগৰিক’ (মাহেকীয়া, ১৯৫৭), ‘নাম নাই’ (মাহেকীয়া, ১৯৫৮), ‘নৱযুগ’ (সাপ্তাহিক, ১৯৬৩), ‘নতুন প্ৰতিনিধি’ (১৯৬৫, মাহেকীয়া), ‘নৱযুগ’ (সাপ্তাহিক, ১৯৬৫), ‘নীলাচল’ (সাপ্তাহিক, ১৯৬৮), ‘নতুন পৃথিৱী’ (তিনিমহীয়া, ১৯৭১), ‘নাগৰিক’ (সাদিনীয়া, প্ৰতিষ্ঠাপক সম্পাদক হোমেন বৰগোহাঁঞি, ১৯৭৭), ‘নৰ্থ ইষ্ট টাইমজ’ (১৯৮০, ইংৰাজী সাপ্তাহিক), ‘নিউজ ষ্টাৰ’ (ইংৰাজী দৈনিক, ১৯৮২), ‘পছোৱা’ (মাহেকীয়া, ১৯৪৮), ‘পদুম’ (১৯৫০), ‘পূবেৰুণ’ (১৯৫০), ‘প্ৰৱাহ’ (১৯৫৫), ‘প্ৰান্তজ্যোতি’ (বাংলা দৈনিক ,১৯৫৭), ‘প্ৰান্তিক’ (পষেকীয়া, ১৯৮১), ‘প্ৰহৰী’ (১৯৬৮), ‘পয়োভৰ’ (১৯৭০), ‘প্ৰকাশ’ (মাহেকীয়া, ১৯৭৫), ‘পৌৰবিচিত্ৰা’ (১৯৭৯), ‘পাণ্ডুলিপি’ (১৯৮১), ‘প্ৰতিদিন’ (অসমীয়া দৈনিক, ১৯৮২, প্ৰতিষ্ঠাপক সম্পাদক ঃ ৰবিজিৎ চৌধুৰী), ‘প্ৰহৰী’ (সাপ্তাহিক, ১৯৮৫), ‘বিহলঙনি’ (পষেকীয়া, ১৯৪৭), ‘বিহুৱান’ (শিশু আলোচনী, ১৯৫০), ‘বাতৰি’ (ইংৰাজী মাহেকীয়া, ১৯৫৪), ‘বিজ্ঞান জেউতি’ (১৯৬১, অসম বিজ্ঞান সমিতি), ‘বিস্ময়’ (মাহেকীয়া, ১৯৬৯, প্ৰতিষ্ঠাপক সম্পাদক ঃ শশী ফুকন), ‘বিন্দু’ (মাহেকীয়া, ১৯৭০, প্ৰতিষ্ঠাপক সম্পাদক ঃ ড ভূপেন হাজৰিকা), ‘বাতৰি’ (অসমীয়া তিনিমহীয়া, ১৯৭৫), ‘বিয়লিৰ বাতৰি’ (অসমৰ প্ৰথমখন দৈনিক সান্ধ্য বাতৰি, ১৯৮০), ‘বহ্নিমান’ (পষেকীয়া, ১৯৮০, বৰ্তমান গণ আন্দোলন আৰু ছাত্ৰ-সন্থা), ‘বাতৰি’ (তিনিদিনীয়া অসমীয়া, ১৯৮১, প্ৰতিষ্ঠাপক সম্পাদক ঃ ৰাধিকামোহন ভাগৱতী), ভূদান যজ্ঞ’ (পষেকীয়া, ১৯৫৫), ‘মণিদীপ’ (মাহেকীয়া অসমীয়া, ১৯৬০, প্ৰতিষ্ঠাপক সম্পাদক মহেন্দ্ৰ বৰা), ‘মহাজাতি’ (তিনিদিনীয়া, ১৯৬৪, প্ৰতিষ্ঠাপক সম্পাদক বদন চন্দ্ৰ লহকৰ, দ্বিতীয় জন পূৰ্ণ নাৰায়ণ সিংহ, তেজপুৰ) ‘মালৱিকা’ (অসমীয়া মাহেকীয়া যৌন সাহিত্যৰ আলোচনী, ১৯৬৮) ‘মাহেকীয়া কবিতা’ (১৯৭১), ‘মহিলা’ (মাহেকীয়া অসমীয়া ১৯৭৫), ‘মোৰ দেশ’ (মাহেকীয়া অসমীয়া, ১৯৭৬) ‘মাতৃভূমি’ (অসমীয়া সাপ্তাহিক, ১৯৭৮), ‘মানুহ’ (অসমীয়া পষেকীয়া ১৯৭৯, প্ৰতিষ্ঠাপক সম্পাদক ঃ প্ৰশান্ত বৰুৱা, মংগলদৈ), ‘মইনা’ (তিনিমহীয়া শিশু আলোচনী, ১৯৭৯), ‘মুজাহিদ’ (সপ্তহিক অসমীয়া, ১৯৮০, প্ৰতিষ্ঠাপক সম্পাদক ঃ কেৰামত আলি) ‘মহাবাহু’ (অসমীয়া পষেকীয়া ১৯৮০, প্ৰতিষ্ঠাপক সম্পাদক ঃ অঞ্জন শৰ্মা), ‘মুক্তি দূত’ (অসমীয়া পষেকীয়া, ১৯৮০), ‘মৌচাক’ (মাহেকীয়া শিশু আলোচনী, ১৯৮৪, প্ৰতিষ্ঠাপক সম্পাদককঃ শান্তনু তামুলী), ‘যুগধৰ্ম’ (সাপ্তাহিক, ১৯৬২) ‘যুগবাণী’ (পষেকীয়া ১৯৭২), ‘ৰংঘৰ’ (১৯৪৮, প্ৰতিষ্ঠাপক সম্পাদক ড০ বিৰিঞ্চি কুমাৰ বৰুৱা), ‘ৰামধেনু’ (১৯৫০, মাহেকীয়া অসমীয়া, প্ৰতিষ্ঠাপক সম্পাদক ঃ ইন্দ্ৰকমল বেজবৰুৱা) ‘ৰহস্য’ (দুমহীয়া, ১৯৭৪), ‘ৰাইজৰ বাতৰি’ (১৯৭৬, অসমীয়া সাদিনীয়া), ‘ৰংঘৰ’ (মাহেকীয়া, ১৯৮৫, প্ৰতিষ্ঠাপক সম্পাদক ঃ শশী ফুকন), ‘ৰাষ্ট্ৰীয় বাতৰি’ (অসমীয়া দৈনিক ১৯৮৩, প্ৰতিষ্ঠাপক সম্পাদকঃ চট্টৰ সিং, নকুল দাস), ‘লখিমী’ (মাহেকীয়া, ১৯৫১) ‘লাভলি আছাম’ (ইংৰাজী মাহেকীয়া, ১৯৫৪), ‘লৌহিত্য’ (১৯৮০, তিনিমহীয়া), ‘শান্তি দূত’ (১৯৫২, সাদিনীয়া পাছত দৈনিক সাদিনীয়া সংস্কৰণৰ প্ৰতিষ্ঠাপক

সম্পাদকঃ তাৰিণী দাস আৰু দৈনিক সংস্কৰণৰ প্ৰতিষ্ঠাপক সম্পাদক দেবেন শৰ্মা), 'শিল্পী পৃথিৱী' (মাহেকীয়া ১৯৮০, প্ৰতিষ্ঠাপক সম্পাদক বেণী মাধৱ) 'সৌমাৰ জ্যোতি' (মাহেকীয়া, ১৯৫০), 'সোণৰ অসম' (ত্ৰৈসাপ্তাহিক, ১৯৬৮, ডিব্ৰুগড়), 'সমকালীন' (মাহেকীয়া, ১৯৬৭), 'সময়' (মাহেকীয়া, ১৯৬৮, প্ৰতিষ্ঠাপক সম্পাদকঃ শশী ফুকন), 'সীমান্ত প্ৰহৰী' (পষেকীয়া, ১৯৭০), 'সমকাল' (১৯৭৩, মাহেকীয়া প্ৰতিষ্ঠাপক সম্পাদক ঃ যতীন্দ্ৰ কুমাৰ বৰগোঁহাঞি), 'সেউজী সেউজী' (কাব্যালোচনী, ১৯৭৬), 'সমকাল' (১৯৭৭, মাহেকীয়া, সাদিনীয়া), 'নতুন বাতৰি' (১৯৭৭, সাপ্তাহিক), 'সৃষ্টি' (মাহেকীয়া, ১৯৭৮), 'সাঁচি পাত' (সাপ্তাহিক, ১৯৮০, প্ৰতিষ্ঠাপক সম্পাদকঃ নিৰুপমা বৰগোহাঁঞি), 'সমন্বয়' (সাপ্তাহিক, ১৯৮০), 'সঁফুৰা' (মাহেকীয়া শিশু আলোচনী, ১৯৮২, প্ৰতিষ্ঠাপক সম্পাদক ড ভবেন্দ্ৰনাথ শইকীয়া), 'সীৰলু' (মাহেকীয়া, ১৯৪৮, প্ৰতিষ্ঠাপক সম্পাদক ঃ নৱকান্ত বৰুৱা), 'হিমাচল' (১৯৭৮, মাহেকীয়া), 'হাজোৰ বাতৰি' (অসমীয়া পষেকীয়া, ১৯৯১, প্ৰতিষ্ঠাপক সম্পাদকঃ পৰেশ বৈশ্য), 'অসমীয়া কাৰিকৰী সংবাদ' (২০০৯, সাপ্তাহিক অসমীয়া), 'নতুন দৈনিক' (১৯৮৮, অসমীয়া দৈনিক, প্ৰতিষ্ঠাপক সম্পাদক ঃ চন্দ্ৰ প্ৰসাদ শইকীয়া), 'আজিৰ সংবাদ' (১৯৯৩, অসমীয়া দৈনিক, প্ৰতিষ্ঠাপক সম্পাদক পৰেশ বৈশ্য), 'দৈনিক অসম' (১৯৬৬, প্ৰতিষ্ঠাপক সম্পাদক ঃ কীৰ্তিনাথ হাজৰিকা), 'অসমীয়া প্ৰতিদিন' (১৯৯৫, প্ৰতিষ্ঠাপক সম্পাদক অজিত কুমাৰ ভূঞা), 'দৈনিক অগ্ৰদূত' (১৯৯৫, অসমীয়া দৈনিক, প্ৰতিষ্ঠাপক সম্পাদকঃ কনকসেন ডেকা), 'দৈনিক জনমভূমি' (১৯৭২) 'সন্ধ্যা বাতৰি' (১৯৯১), 'মহানগৰ দৈনিক সান্ধ্য বাতৰি' (১৯৯১) 'আজি' (২০০০, অসমীয়া দৈনি প্ৰতিষ্ঠাপক সম্পাদকঃ অজিৎ কুমাৰ ভূঞা), 'আমাৰ অসম' (১৯৯৭, অসমীয়া দৈনিক, প্ৰতিষ্ঠাপক সম্পাদকঃ হোমেন বৰগোহাঁঞি), 'অসমীয়া খবৰ' (২০০১, অসমীয়া দৈনিক, প্ৰতিষ্ঠাপক সম্পাদক ড° ক্ষীৰেণ ৰয়), 'দৈনিক জনসাধাৰণ' (২০০৩, অসমীয়া দৈনিক, প্ৰতিষ্ঠাপক সম্পাদক মনোজ কুমাৰ গোস্বামী), 'আজিৰ দৈনিক বাতৰি' (২০০৫, অসমীয়া দৈনিক, প্ৰতিষ্ঠাপক সম্পাদকঃ হোমেন বৰগোহাঁঞি), 'এদিনৰ সংবাদ' (২০০৬, প্ৰতিষ্ঠাপক সম্পাদক ঃ অদীপ ফুকন), 'দৈনিক সু-প্ৰভাত' (অসমীয়া দৈনিক), 'নিয়মীয়া বাৰ্তা' (অসমীয়া দৈনিক প্ৰতিষ্ঠাপক সম্পাদক ঃ শকৰ লস্কৰ), 'দৈনিক গণ অধিকাৰ' (অসমীয়া দৈনিক), 'শংকৰজ্যোতি' (অসমীয়া দৈনিক), 'দৈনিক বাতৰি কাকত' (অসমীয়া দৈনিক), 'গণ সংবাদ' (অসমীয়া দৈনিক), 'দৈনিক প্ৰতিবেদন' (অসমীয়া দৈনিক), 'প্ৰতিবিম্ব' (অসমীয়া দৈনিক' আদি উল্লেখযোগ্য।

সামৰণিত ক'ব পাৰি যে অসমীয়া সংবাদ পত্ৰৰ ইতিহাস প্ৰায় ১৫৮ বছৰীয়া। ১৮৪৬ চনৰ পৰা ২০১৪ চনলৈকে অসমৰ পৰা বিভিন্ন ভাষাত ভালেমান সংবাদ পত্ৰ প্ৰকাশিত হৈছে। কিন্তু এই সকলোবোৰ কাকত আলোচনীৰ তথ্য পাবলৈ নাই। আমি এই আলোচনাত ১৫৮ বছৰৰ ভিতৰত প্ৰকাশিত মুখ্য আলোচনী-কাকতৰহে নাম উল্লেখ কৰিছোঁ। আন বহু সংখ্যক কাকত আলোচনী নাম উল্লেখ কৰিব নোৱাৰা বাবে দুঃখিত।

❖❖❖❖

# সৰু হোৱাৰ ভয়

✍ সুৰজ গগৈ
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

প্ৰতিজন ব্যক্তিয়ে জন্মগতভাৱে কিছুমান প্ৰৱণতা লৈ আহে। যাৰ দ্বাৰা ব্যক্তিয়ে কোনো ধৰণৰ শিক্ষা বা অভিজ্ঞতা লাভ কৰাৰ পূৰ্বৰ সময়খিনিত পৰিৱেশৰ লগত নিজকে খাপ খুৱাই পৰিচালিত কৰাত সমৰ্থ হয়। শিক্ষা বা অভিজ্ঞতালব্ধ নোহোৱাৰ বাবে এনে প্ৰৱণতাসমূহক মনস্তত্ববিদসকলে প্ৰবৃত্তি বুলি নামকৰণ কৰিছে। মানুহৰ দৰে আন জীৱ জন্তুসমূহৰ ক্ষেত্ৰটো এই প্ৰবৃত্তি সমূহ দেখিবলৈ পোৱা যায়। এই প্ৰবৃত্তিসমূহৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আন এক প্ৰৱণতা আছে যাক আৱেগ নামেৰে নামকৰণ কৰা হৈছে। এই প্ৰৱণতাসমূহৰ ওপৰত বিস্তৃতভাৱে অধ্যয়ন চলাই মনস্তত্ববিদ মেগডুগালে মানুহৰ ক্ষেত্ৰত ১৪ টা প্ৰবৃত্তি আৰু ১৪ টা আৱেগ চিনাক্ত কৰিছে। তেওঁৰ মতে মানুহৰ বাহিৰে আন জীৱ জন্তুৰ প্ৰবৃত্তি আৰু আৱেগৰ সংখ্যা হ'ল ১৩ টা আন প্ৰাণীৰ ক্ষেত্ৰত দেখা নোপোৱা প্ৰবৃত্তি আৰু আৱেগসমূহে মানুহকে ধৰি আন জীৱ জন্তুৰ কাৰ্য পৰিচালনা কৰে। জীৱনৰ বিভিন্ন সময়ত এই প্ৰবৃত্তি বা আৱেগ সমূহৰ প্ৰভাৱ আৰু তীব্ৰতা ভিন্ন ধৰণৰ হয়।

মনস্তত্ববিদসকলে শিশুৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলোৱা তিনিটা আৱেগ চিনাক্ত কৰিছে। ইয়াৰ ভিতৰত অন্যতম আৱেগটো হ'ল ভয়। শিশুৱে সাধাৰণতে তিনিটা কাৰণত ভয় কৰে। অচিনাকী ব্যক্তি, অচিনাকী পৰিৱেশ আৰু ডাঙৰ শব্দ। শিশুৱে প্ৰধানত তিনিটা কাৰণত ভয় কৰিলেও ভয়ৰ প্ৰভাৱ এজন ব্যক্তিৰ ওপৰত জীৱনজুৰি থকা দেখা যায়। জীৱনৰ ভিন ভিন সময়ত ভয়ৰ কাৰণসমূহো ভিন ভিন হয়। শিক্ষাৰ্থীৰ পৰীক্ষালৈ ভয়, কিছুমান লোকে ৰাতি অকলে থাকিবলৈ ভয় কৰে। বয়সস্থ লোকৰ মৃত্যু লৈ ভয়, কিছুমান লোৱাৰ পইতাচোৰা, মকৰা, জোক আদিলৈ ভয়, আন কিছুমান মানুহে ওখ ঠাইত উঠিবলৈ ভয় কৰে আদি। এইদৰে মানুহে ভিন্ন সময়ত ভিন্ন কাৰণত ভয় কৰে। ইয়াৰ উপৰি বৰ্তমান সময়ত মানুহৰ মাজত আন এটা ভয়ে গা-কৰি উঠিছে। সি হ'ল সৰু হোৱাৰ ভয়। এই ভয় সাধাৰণতে নিম্নস্তৰৰ বা গতানুগতিকভাৱে জীৱন নিৰ্বাহ কৰা লোকতকৈ বৌদ্ধিক মহলত অধিক হোৱা দেখা যায়।

সমাজত প্ৰতিজন লোকেই নিজৰ স্থিতি সম্পৰ্কে যথেষ্ট সচেতন। কেতিয়াবা কেনেবাকৈ কিবা কাৰণত নিজৰ স্থিতি বিপন্ন হোৱা যেন দেখা পালে ব্যক্তিৰ মনত ভয় ভাবৰ উদয় হয়। এই ভয় ভাবৰ পৰা মুক্ত হ'বলৈ ব্যক্তিয়ে বিভিন্ন সময়ত বিভিন্ন উপায় অৱলম্বন কৰা দেখা যায়। উদাহৰণ স্বৰূপে কোনো হিংস্ৰ জন্তুৱে কোনো ব্যক্তিক আক্ৰমণ কৰিবলৈ আহিলে তাৰ পৰা আঁতৰি যোৱাৰ বা নিজকে বচোৱাৰ প্ৰয়াস কৰে। শাৰীৰিক স্থিতি বিপন্ন হোৱাৰ দৰে মানসিক স্থিতি বিপন্ন হোৱাৰ একাধিক ভয়ে মানুহৰ মনত ক্ৰিয়া

কৰা দেখা যায়। তেনে এবিধ ভয় হৈছে সৰু হোৱাৰ ভয়।

সকলো লোকৰ মাজত বিভিন্ন সময়ত সৰু হোৱাৰ ভয়ৰ ভাব সৃষ্টি হ'লেও একে বৃত্তি, সমমৰ্যাদা সম্পন্ন লোকৰ মাজত এনে ভয় ভাবৰ প্ৰাবল্য অধিক হোৱা দেখা যায়। বৌদ্ধিক মহলত সৰু হোৱাৰ ভয়ৰ প্ৰবাৱ অধিকতৰ হয়। সৰু হোৱাৰ ভয়ে শিক্ষা, সামাজিক মৰ্যাদা, সামাজিক অৱস্থান আদিৰ বাধা নামানে। সৰু হোৱাৰ ভয়ে বহু সময়ত ব্যক্তিৰ আত্মসত্বা আৰু স্থিতিৰ কথাও পাহৰাই দিয়ে।

প্ৰতিজন ব্যক্তিয়ে সমাজত নিজৰ স্থিতি সম্পৰ্কে বৰ সচেতন। এই স্থিতি কেনেবাকৈ বিঘ্নিত হয় বুলি সকলো সময়তে মনৰ মাজত নিজৰ অজ্ঞাতে এক ভয়ৰ বাব পুহি ৰাখে। উদাহৰণ স্বৰূপে নিজৰ সমকক্ষ বা সহকৰ্মী কোনো এজন ব্যক্তিয়ে যদি কিবা নতুন কাম এটা কৰে তেতিয়া আনজন ব্যক্তিৰ মনত এক ভয়ৰ ভাব সৃষ্টি হয় জানোছা সেই ব্যক্তিজনৰ স্থান তেওঁতকৈ উচ্চ স্তৰলৈ যায়। এনে ভয় ভাবৰ বশৱৰ্তী হৈ তেনে ব্যক্তিয়ে নিজৰ স্থিতি উচ্চ স্তৰলৈ নিয়াৰ পৰিৰ্বতে আনজন ব্যক্তিৰ স্থিতি কেনেকৈ অৱনমিত কৰিব পৰা যায় সেই বিষয়ে চিন্তা কৰে আৰু তাকে কৰিবলৈ যাওঁতে যিকোনো ধৰণৰ কাৰ্য কৰিবলৈ কুণ্ঠাবোধ নকৰে। এনে কাৰ্য কৰি তেওঁলোকে এক আসুৰিক তৃপ্তি লাভ কৰে। যাৰ পৰিণতি কাৰো বাবেই ভাল নহয়। একেটা পৰিৱেশত বাস কৰা ব্যক্তিসকলৰ নেতিবাচক ব্যৱহাৰে নীৰৱে কাম কৰা ব্যক্তিৰ সাধনাত ব্যাঘাত জন্মায়। ফলত সমাজৰ ক্ষতি হয়।

সৰু হোৱাৰ ভয়ে পীড়া কৰা লোক সকলে নিজৰ অজানিতে এনে আচৰণ কৰে যাৰ ফলত তেওঁৰ নিজৰ কাৰ্যক্ষমতা হ্ৰাস পোৱাৰ লগতে সামাজিকভাৱে অৱনমিত হয়। গঠনমূলক আৰু সৃষ্টিশীল চিন্তাধাৰাই এজন ব্যক্তিক যি গতিত উচ্চ স্তৰলৈ লৈ যায় ধ্বংসাত্মক চিন্তাধাৰাই ব্যক্তিক তাৰ দুগুণ গতিত অৱনমিত কৰে।

সৰু হোৱাৰ ভয়ত ভোগা ব্যক্তিসকলে ভয়ৰ পৰা মুক্তি পাবলৈ আনক সৰু কৰিবলৈ চেষ্টা কৰে। ইয়াৰ বাবে তেওঁলোকে যিকোনো ধৰণৰ কাৰ্য কৰিবলৈ কুণ্ঠাবোধ নকৰে। নিজৰ দৃষ্টিত আনক সৰু কৰা কাৰ্যত সফল হ'লে মনত আনন্দ লাভ কৰে। এনে আনন্দ লাভৰ প্ৰচেষ্টাই তেওঁৰ কামৰ মান নিম্নস্তৰৰ পৰা অধিক নিম্নস্তৰলৈ লৈ যায়। প্ৰকৃতাৰ্থত সৰু হোৱাৰ ভয়ে এজন ব্যক্তিক বাস্তৱ পৰিস্থিতিত অধিক সৰুহে কৰি তুলে।

সৰু হোৱাৰ ভয়ৰ পৰা মুক্ত হ'বলৈ হ'লে জীৱনক ইতিবাচক দৃষ্টিভংগীৰে চাবলৈ শিকিব লাগিব। ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰিলহে নেতিবাচক পৰিৱেশতো আগবাঢ়ি যোৱাৰ সমল লাভ কৰা যায়। জীৱনৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব পাৰি। সৰু হোৱা ভয়ৰ দ্বাৰা পৰিচালিত হৈ প্ৰদৰ্শন কৰা আচৰণে নিজক আনৰ ওচৰত সৰু কৰি তোলে। নিজ জীৱন দৰ্শনৰ দ্বাৰা পৰিচালিত হৈ জীৱনৰ ঘাট-প্ৰতিঘাট সমূহক ইতিবাচক দৃষ্টিভংগীৰে চাব পৰা ব্যক্তিৰ মনোবল অধিক হয়। ফলত তেনে ব্যক্তিয়ে অধিক উৎসাহ উদ্দীপনাৰে কামত ব্ৰতী হৈ সমাজত নিজৰ স্থিতি সবল কৰাত সফল হোৱাৰ লগতে সমাজ তথা দেশৰ প্ৰগতি আৰু বিকাসৰ ক্ষেত্ৰত যথেষ্ট অৱহণা আগবঢ়াব পাৰে।

***প্ৰসংগ পুথি ঃ***

'কৰ্তব্য, সততা আৰু সাহস'- ড° নৱনাৰায়ণ মহন্ত

❖❖❖❖

# অসম সাহিত্য সভা আৰু নৱ প্ৰজন্ম

ফনিন মৰাণ
তৃতীয় ষান্মাসিক
অসমীয়া বিভাগ

অসম সাহিত্য সভা ১৯১৭ চনত শিৱসাগৰত আত্মপ্ৰকাশ কৰে। প্ৰথম সভাপতি গৰাকী আছিল সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা। অৱশ্যে সাহিত্য সভা আনুষ্ঠানিকভাৱে আত্মপ্ৰকাশ কৰা বহু আগতেই ঠায়ে ঠায়ে সাহিত্যসেৱী অনুষ্ঠান গঢ় লৈ উঠিছিল। ১৮৮৯ চনত পদ্মনাথ গোহাঞিবৰুৱাই কহিমা সাহিত্য সভা গঠন কৰিছিল। তাৰ আগতে ১৮৫৮ চনত অসমীয়া ছাত্ৰসকলে "অসম দেশ হিতৈষী সভা' নামৰ আনুষ্ঠানটি গঠন কৰিছিল। ঠিক সেইদৰে ১৮৬৯ চনত 'গুৱাহাটী ক্লাব', ১৮৭২ চনত কলিকতাত প্ৰৱাসী 'অসমীয়া ছাত্ৰৰ সাহিত্য সভা', ১৮৮৮ চনত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা', ১৯০৫ চনত 'অসম এছ'চিয়েছন', ১৯১৬ চনত 'অসম ছাত্ৰ সন্মিলন'। এই সন্মিলনৰ প্ৰথম অধিৱেশনখনি উজান বজাৰৰ লতাশিল খেলপথাৰত অনুষ্ঠিত হয়। সভাপতিত্ব কৰে লক্ষ্মীনাথ বেজবৰুৱাই। উল্লেখযোগ্য যে ১৯১৬ চনত গুৱাহাটীত ৰায় বাহাদুৰ গোবিন্দ ফুকনৰ পৌৰোহিত্যত অনুষ্ঠিত 'অসম এছ'চিয়েছন'ৰ বাৰ্ষিক অধিৱেশনৰ সভামণ্ডপতে 'অসম ছাত্ৰ সন্মিলন'ৰ অধিৱেশন সম্পন্ন হৈছিল। এই সংগঠনসমূহেই আছিল অসম সাহিত্য সভাৰ জন্মৰ উকমুকনি। 'অসম এছ'চিয়েছন', 'অসম ছাত্ৰ সন্মিলন'ৰ মজিয়াত এনে সাহিত্যসেৱী অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰে। তেনে চিন্তা চেতনাৰ ফলশ্ৰুতিতেই অসম এছ'চিয়েছনৰ পৰৱৰ্তীবৰ্ষ অৰ্থাৎ ১৯১৭ চনত শিৱসাগৰত আনুষ্ঠিত সভামণ্ডপতেই 'অসম সাহিত্য সভা' নামৰ ভাষা সাহিত্য চৰ্চাৰ এক জাতীয় অনুষ্ঠানৰ প্ৰথমখন সন্মিলন পতাৰ সিদ্ধান্ত কৰা হয়। আৰু এই অধিৱেশনৰ সভাপতিত্ব কৰে সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা আৰু প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত হয় শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়া। ১৯১৭ চনত শিৱসাগৰত জন্ম লাভ কৰা 'অসম সাহিত্য সভা'ই ইতিমধ্যে শতবৰ্ষ গৰকিলে। ২০১৬ বৰ্ষৰ ফেব্ৰুৱাৰীত শিৱসাগৰত ইতিমধ্যে শতবৰ্ষীয় অধিৱেশনখন সুকলমে সম্পন্ন হ'ল। শতবৰ্ষ গৰকা এই জাতীয় অনুষ্ঠানৰ অসমৰ প্ৰতিখন জিলাতে একোখন জিলা সমিতি থকাৰ ওপৰিও অসমকে ধৰি সমগ্ৰ উত্তৰ

পুৰ্বাঞ্চল তথা দেশ-বিদেশ সামৰি প্ৰায় হেজাৰোধিক শাখা সাহিত্য সভা আছে।

অসম সাহিত্য সভাৰ কাৰ্যকাল পূৰ্বে এবছৰীয়া আছিল। ২০০৪/০৫ বৰ্ষৰ পৰা অসম সাহিত্য সভাৰ কাৰ্যকাল দুবছৰীয়া কৰা হয়। ইতিমধ্যে ৭৩ সংখ্যক অধিৱেশন সম্পন্ন হৈছে। আগন্তুক ৭৪ সংখ্যক অধিবেশনখন তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ বুঢ়ীদিহিং বৰডুমছাত ১, ২, ৩ আৰু ৪ ফেব্ৰুৱাৰী, ২০১৮ খ্ৰীষ্টাব্দত অনুষ্ঠিত হ'ব। অসম সাহিত্য সভা এক নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হয়। পিছে আগন্তুক অধিৱেশনত সংবিধান খচৰা সমিতিয়ে প্ৰস্তুত কৰা অসম সাহিত্য সভাৰ সংবিধানখন গৃহীত হোৱা কথা। নিয়মাৱলীৰ মতে জিলা, শাখা সমিতিৰ দ্বাৰা বেলট পেপাৰ জৰিয়তে ভোট দি সভাপতি, উপসভাপতি, প্ৰধান সম্পাদকৰ দৰে বিষয়ববীয়াসকলক নিৰ্বাচিত কৰে। জিলাৰ পৰা নিৰ্বাচিত জিলা প্ৰতিনিধি, আমন্ত্ৰিত মনোনীত সদস্যৰ দ্বাৰা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। এই কাৰ্যনিৰ্বাহকতে সভাই গুৰুত্বপূৰ্ণ সিদ্ধান্ত সমূহ গ্ৰহণ কৰে। তৎকালীনভাৱে কেতিয়াবা সিদ্ধান্ত ল'বলগীয়া হ'লে কৰ্ণধাৰ সমিতি বহিব লাগে। গুৰুত্বপূৰ্ণ পদৱীধাৰীসকলৰ দ্বাৰা কৰ্ণধাৰ সমিতিখন গঠন হয়। কাৰ্যকাল দুবছৰীয়া হোৱাৰে পৰা মধ্যকালীন অদিৱেশনো সম্পন্ন হয়। অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত বিষয়সমূহ প্ৰতিনিধি সভাত গ্ৰহণ কৰা হয়। অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ বিকাশেই অসম সাহিত্য সভাৰ মূল লক্ষ্য, উদ্দেশ্য যদিও জনগোষ্ঠীয়, জনজাতীয় উপভাষা সমূহৰ অধ্যয়ন, গৱেষণাৰ জৰিয়তে উৎকৰ্ষ সাধনো সাহিত্য সভাৰ আন এক গুৰুত্বপূৰ্ণ কাম। অৰুণাচল, নাগালেণ্ড আদিতো অসম সাহিত্য সভাৰ শাখা আছে। সাহিত্য সভাৰ অধিৱেশন সমূহত উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-জনগোষ্ঠীসমূহৰ সাংস্কৃতিক সমন্বয় ঘটাই ঐক্য-সংহতি ৰক্ষা কৰা ক্ষেত্ৰতো সাহিত্য সভাই বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

পণ্ডিত, প্ৰথিতযশা সাহিত্যিকসকলে সভাপতিৰ পদ অলংকৃত কৰি অহা 'অসম সাহিত্য সভা'ৰ দৰে এনে এটা মহান জাতীয় অনুষ্ঠান সদায়েই নৱ-প্ৰজন্মৰ যুৱ-বন্ধুসকলক উপেক্ষা কৰি আহিছে বুলি কাকতে পত্ৰই প্ৰায়েই অভিযোগ দেখা যায়। এনে অভিযোগক নস্যাৎ কৰি তদানীন্তন সভাপতি পদ্মশ্ৰী ৰংবং টেৰাং দেৱৰ সভাপতিত্বৰ কালত শিশুসকলৰ বাবে 'কুহি', মহিলাসকলৰ বাবে 'আকাশ' আৰু যুৱক-যুৱতীসকলৰ বাবে 'যুৱসংসদ' 'ৰামধেনু' উপসমিতি সৃষ্টি কৰা হয়। এই উপসমিতিসমূহ সংশ্লিষ্ট দিশসমূহ সামৰি প্ৰতিভা বিকাশৰ অৰ্থে কেতবোৰ অনুষ্ঠান পাতি আহিছে। কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশনা অনুসৰি জিলা শাখাসমূহ মহাবিদ্যালয়সমূহত একোখন যুৱসংসদ গঠন কৰিব লাগে। যুৱসংসদে যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীসকলক লৈ সাহিত্য সংস্কৃতিমূলক অনুষ্ঠান পাতি প্ৰতিভা বিকাশৰ এখন মঞ্চ হিচাপে কাম কৰিব লাগে। মাজে-সময়ে কবিতা পাঠৰ অনুষ্ঠান, আলোচনাচক্ৰ, সভা - সমিতি পাতি

বৌদ্ধিক চৰ্চাৰ এক পৰিৱেশ গঢ়ি তুলিব লাগে। নৱ প্ৰজন্মই কেৱল মোবাইল, ইন্টাৰনেটত ব্যস্ত হৈ সময় পাৰ নকৰি সৃষ্টিশীল সাহিত্য ৰচনাত গুৰুত্ব দিব পাৰিলে বাঞ্চিত ফল লাভ কৰিব পৰা যায়। বিদ্যালয়, মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে যুৱ সংসদৰ সদস্য হৈ অসম সাহিত্য সভাৰ সৈতেও জড়িত হ'ব পাৰে। যাৰ জৰিয়তে 'অসম সাহিত্য সভা'ই বিভিন্ন সময়ত আয়োজন কৰা 'ৰামধেনু' অনুষ্ঠানত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰা সুযোগ লাভ কৰিব পাৰে।

লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, ৰাধাগোবিন্দ বৰুৱা, সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ আদি প্ৰৱাসী কলেজীয়া ছাত্ৰসকলেই অসমীয়া সাহিত্যৰ গুৰি বঠা ধৰিছিল। অঃ ভাঃ উঃ সাঃ সভা গঠন কৰি অসমীয়া ভাষা-সাহিত্যক বিশ্ব দৰবালৈ নিবলৈ যত্ন কৰিছিল। এতেকে মহাবিদ্যালয় বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলেও অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধিশালী কৰিব লাগিব। আহক আমি সকলো ছাত্ৰ-ছাত্ৰীসকলে মিলি সাহিত্য সভাৰ সদস্যপদ গ্ৰহণ কৰি সাহিত্য চৰ্চাৰ এক পৰিৱেশ গঢ়ি তোলো আৰু ভাষাক ৰক্ষা কৰোঁ।

*সহায়ক পুথিঃ-*

'জেৰেঙা-ৰূপহী', স্মৃতি গ্ৰন্থ, অসম সাহিত্য সভাৰ শতবৰ্ষীয় অধিৱেশন।

❖❖❖❖

# অসমীয়া অলংকাৰ

*মণিষা ডেকা*
*পঞ্চম ষান্মাসিক*
*অসমীয়া বিভাগ*

প্ৰাকৃতিক সুষমাৰে মহিমামণ্ডিত সুজলা-সুফলা অসমৰ নৰ-নাৰীৰ অংগসজ্জাও সুৰুচিপূৰ্ণ। সকলো নৰ নাৰীয়ে অলংকাৰ পৰিধানেৰে নিজকে সজাই ভাল পাই। বিলাস বহুলতাৰ বিপৰীতে নুন্যতম আ-অলংকাৰ পৰিধানতহে অসমীয়া নাৰীয়ে গুৰুত্ব দিয়ে। তথাপি অসমত বহুবিধ অলংকাৰৰ প্ৰচলন আছে। অসমীয়া (পুৰণি) অলংকাৰৰ বিষয়ে থলুৱা স্থাপত্য, ভাস্কৰ্য, শিল্পকলা, কাব্য আদিৰ মাধ্যমত ধাৰণা কৰি ল'ব পাৰি। সোণ, ৰূপ, তাম আদিৰ অলংকাৰ অসমত প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়।

অসমীয়া অলংকাৰে নতুন ৰূপ পৰিগ্ৰহণ কৰে আহোমসকলৰ অসম আগমনৰ পাচত। ব্ৰহ্মদেশ, তীব্বত, ভূটান, পাটকাইৰ সিপাৰৰ পৰা আমদানি ঘটা প্ৰবাল, বাখৰ, জাংফাই, খটাই অমসীয়া সোণৰিয়ে গঢ়া সোণৰ অলংকাৰৰ কাৰুকাৰ্য বিশ্বতে বিৰল। আৰ্থিক সামৰ্থ্য অনুসৰি সোণ, ৰূপ, তাম, পিতলৰ বিভিন্ন অলংকাৰ পিন্ধাৰ পৰম্পৰা অসমত প্ৰচলন আছে। অসমীয়া নাৰীৰ শোভাবৰ্ধন কৰা অলংকাৰৰ এখন তালিকা তলত উল্লেখ কৰা হ'ল।

১। শিশুৰ অলংকাৰ ঃ শিৰপতা, অৰ্ধচন্দ্ৰ শিৰোমণি, কপালি, চিটিপতিৰ লটকন (তিনিডলীয়া হাৰ যাৰ এডাল সেওঁতাৰ মাজেৰে, আন দুডাল দুইকাষে চুলিৰ ওপৰত থাকে, মাজত কাঁচিজোন বা তৰা গঢ়ী এটা লটকন অৰ্থাৎ ফোঁট ওলমি থাকে)।

২। ডিঙিৰ অলংকাৰ ঃ গলপতা, জোনবিৰি, ঢোলবিৰি, চৰীয়াবিৰি, দুগদুগী, সাতসৰী, মণিমালা, শিলিখা বিৰি, লতা-বাখৰুৱা বিৰি, মাদলি, গেজেৰা, নয়মননি, ধোপামণি, শিলিতা মণি, পোৱালমণি, থোপামণি আদি।

৩। কাণৰ অলংকাৰ ঃ থুৰীয়া, কেৰু, কাণখিচা, কাণফুলি, লংকেৰু, কৰ্ণবালা, জাংফাই আদি

৪। নাকৰ অলংকাৰ ঃ নাকফুলি, নাকচন্দা আদি।

৫। বাহুৰ অলংকাৰঃ বাজু ।

৬। হাত ঠাৰিৰ অলংকাৰঃ মুঠিখাৰু, গামখাৰু, সঁচৰুৱা খাৰু, পটীয়া খাৰু, মগৰখুৰী খাৰু, গোটা খাৰু, কংকণ, ডলীয়া খাৰু আদি ।

৭। আঙুলিৰ অলংকাৰঃ আঙঠি, চিৰিপতা, সেনপতা, জেঠীনেজীয়া, মোহৰী, পাৰচকুৰা, হৰিণচকুৰা, ম'ৰানেজীয়া, পদুমকলি, বাবৰিবছা, হীৰাপতা আদি।

৮। কঁকালৰ অলংকাৰঃ কৰটৰণি, চন্দ্ৰহাৰ, ককালি, ঘাগৰ, কল্কা, কাঞ্চি, কংকন আদি।

৯। ভৰিৰ অলংকাৰঃ খাৰুবা উজণ্টি, পাজোন, পাওপদ্ম, নুপূৰ, মণিমঞ্জুৰী আদি ।

অসমীয়া সমাজত যে কেৱল নাৰীয়ে অলংকাৰ পৰিধান কৰিছিল তেনে নহয় । পুৰুষেও অলংকাৰ পৰিধান কৰিছিল । পুৰুষে ডিঙিত লতামণি, শিলিমণি নামৰ কণ্ঠহাৰ পৰিধান কৰিছিল । মগৰদানা পুৰুষে পিন্ধা এবিধ আপুৰুগীয়া অলংকাৰ । লৎকেৰু, লোকাপাৰ, কঁৰিয়া আদি পুৰুষে কাণত পিন্ধা অলংকাৰ । লোকাপাৰ, আহোম ৰাজত্বৰ সম্ভ্ৰান্ত লোকৰ উৎকৃষ্ট গহণা আছিল । গামখাৰু পূৰ্বতে পুৰুষেহে পিন্ধিছিল । পিচতহে ইয়াক নাৰীয়ে পৰিধান কৰিবলৈ লয় । এই গামখাৰু বিহু নৃত্যৰ বিহুৱতীৰ হাতৰ এবিধ অপৰিহাৰ্য অলংকাৰ হৈ বৰ্তমানলৈকে ব্যৱহৃত হৈ আছে ।

❖❖❖❖

# সংগীতসূৰ্য ড° ভূপেন হাজৰিকা

*ৰিমকি বৰগোহাঁই*
*পঞ্চম ষান্মাসিক*
*অসমীয়া বিভাগ*

*"মই এটি যাযাবৰ*
*ধৰাৰ দিহিঙে দিপাঙে লৰবোঁ*
*নিবিচাৰি নিজা ঘৰ"*

-এই গীতটিৰ ৰচক হৈছে সংগীত সূৰ্য সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱ। ড° হাজৰিকাদেৱৰ জন্ম হয় ১৯২৬ চনৰ ভাদ মাহত তিনিচুকীয়া জিলাৰ অন্তৰ্গত 'শদিয়া' নামৰ এক অখ্যাত গাঁৱত। এক শিক্ষিত আৰু সম্ভ্ৰান্ত কিন্তু তথাকথিত এক অনুসূচীত পৰিয়ালত। তেওঁৰ দেউতাকৰ নাম আছিল নীলকান্ত হাজৰিকা আৰু মাকৰ নাম আছিল শান্তিপ্ৰিয়া হাজৰিকা।

ড° ভূপেন হাজৰিকাৰ শিক্ষা আৰম্ভ হয় শদিয়াতে আৰু তেওঁ ছাত্ৰ জীৱনত স্কুলীয়া ছাত্ৰ হিচাপে দুবছৰমান ধুবুৰীত, দুবছৰমান গুৱাহাটীত আৰু শেষৰ চাৰিবছৰ তেওঁ তেজপুৰত পঢ়ে। তেজপুৰৰ পৰাই তেওঁ ১৯৪০ চনত মেট্ৰিক পাছ কৰে। তাৰ পিছত তেঁও গুৱাহাটীৰ কটন কলেজৰ পৰা বি. এ. পাছ কৰি ১৯৪৬ চনত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা এম. এ. পাছ কৰে। ১৯৫০ চনত তেওঁ আমেৰিকাৰ পৰা পি.এইচ.ডি সম্পূৰ্ণ কৰি ডক্টৰেট উপাধিৰে খ্যাতি লাভ কৰে।

ড° ভূপেন হাজৰিকাদেৱে ছাত্ৰ জীৱনত যেতিয়া দিহিঙে-দিপাঙে ঘূৰি ফুৰিছিল তেতিয়া তেজপুৰত পঢ়ি থকা অৱস্থাতে তেওঁ সংগীত চৰ্চা কৰিবলৈ আৰম্ভ কৰিছিল। তেজপুৰত থকা সময়ছোৱাত তেওঁ দুজন অসাধাৰণ ব্যক্তিৰ সান্নিধ্য পাইছিল আৰু তেওঁলোক ড° ভূপেন হাজৰিকাৰ সংগীত জীৱনত বাৰুকৈ প্ৰভাৱ পেলাইছিল। তেওঁলোক দুজন আছিল বিপ্লৱী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা আৰু অসমৰ শিল্পী জগতৰ চিৰ জ্যোতিষ্মান তাৰকা জ্যোতিপ্ৰসাদ আগৰৱালা। তেওঁলোক দুয়োজনৰ পৰা হাজৰিকাদেৱে নিষ্পেষিত, পীড়িত, অনুন্নত লোকসকলক সহানুভূতিৰে চাবলৈ শিকিলে।

১৯৪৬ চনৰ আগতেই ড° ভূপেন হাজৰিকাৰ কবিপ্ৰাণ আৰু ব্যক্তিত্বই বিশেষ গঢ় লয়। তেওঁ স্কুলীয়া ছাত্ৰ জীৱনতে ১৯৩৭ চনত তেজপুৰত থাকোঁতে 'কুসুম্বৰ পুত্ৰ' নামেৰে

এটা গীত ৰচনা কৰে। ড° ভূপেন হাজৰিকাদেৱে ৰচনা কৰা এই গীতটোৱেই তেওঁৰ প্ৰথম গীত। অসমীয়া সাহিত্যৰ সকলো বিভাগকে চহকী কৰা সাহিত্যৰথী বেজবৰুৱাদেৱৰ পৰা পোৱা স্নেহচুম্বনে হাজৰিকাৰ প্ৰাণত ঐতিহ্যৰ হেন্দোলনি তুলি গ'ল। অসমীয়া ভাষাৰ সৌন্দৰ্য সৃষ্টি কৰিবৰ কাৰণে তেওঁ আকুল হ'ল। গীতৰ সৃষ্টিৰ বাবে তেওঁ প্ৰথম অনুপ্ৰেৰণা পালে বৰগীত আৰু শংকৰদেৱ আৰু মাধৱদেৱে চহকী কৰি যোৱা ঐতিহ্যপূৰ্ণ শাস্ত্ৰীয় আৰু অসমীয়া সমাজত প্ৰচলিত আন আন লোকগীতৰ ভাৱ, ভাষা আৰু সুৰৰ পৰা। ন-পুৰণি অসমীয়া ভাৰতীয় আৰু পশ্চিমীয়া সুৰৰ সমন্বয় কৰি তেওঁ অতি কম বয়সৰে পৰা নানা মনোমোহা গীত সৃষ্টি কৰিব ধৰিলে। তেওঁ গীত বিলাকৰ বিষয়বস্তুৰ ভিতৰত আছিল শংকৰদেৱৰ সুৰ সংগীতৰ প্ৰতি বিস্ময়। মণিৰাম-পিয়লীৰ দেশৰ হকে আত্মবলিদানৰ কাহিনীক লৈ তেওঁৰ গীত ৰচিত হৈছিল। তেওঁ ৰচিত গীতবোৰ হৈছে 'কুসুম্বৰ পুত্ৰ' (১৯৩৭), 'বাল্মীকি আশ্ৰম' (১৯৪৩) 'জুই লৈ নেখেলিব (মৃত্যু কথা) চেনেহৰ অকণি বীৰ' - এই গীতটো অকণমানি শিশুসকলক উদ্দেশ্যে গোৱা তথা গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ অকণি মেলৰ আৰম্ভণি গীত হিচাপে ১৯৪৮ চনৰে পৰা শুনিবলৈ পোৱা যায়। 'অ মোৰ ভৈয়াম' (১৯৪৬) ড° ভূপেন হাজৰিকাদেৱে হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ বাবে মহাত্মাৰ আদৰ্শক লৈ ৰচনা কৰিছিল। 'মহাত্মাই হাঁসি বোলে' - এই গীতটো তেওঁ গুৱাহাটীত ১৯৪৯ চনত ৰচনা কৰিছিল। তেওঁ মহাত্মা গান্ধীক লৈও গীত ৰচনা কৰিছিল। মহাত্মা গান্ধীৰ বাণী আৰু আদৰ্শত মুগ্ধ হৈ ৰচনা কৰিছিল 'জয় মহাত্মা গান্ধী' (১৯৪৭)। অসমৰ চিৰ প্ৰৱাহমান বোৱঁতী নদী মহাবাহু ব্ৰহ্মপুত্ৰক উদ্দেশ্যে কৰি ১৯৮০ চনত গুৱাহাটীত ৰচনা কৰিছিল 'মহাবাহু ব্ৰহ্মপুত্ৰ'। ১৯৪৬ চনত ড° ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদ, নেতাজী, বিষ্ণুৰাভাৰ দৰে মহাত্মা গান্ধীৰ অহিংসা মন্ত্ৰৰ বলিষ্ঠ আন্দোলনত জপিয়াই পৰে। বৃটিছ শোষণকাৰীৰ অত্যাচাৰে তেওঁৰ মানৱাত্মা কঁপাই তুলিছিল। তেওঁ বৃটিছৰ বিৰুদ্ধে জণগনক বিদ্ৰোহৰ ভাব জগাই তুলিবলৈ কিছুমান গীত ৰচনা কৰিলে। তেওঁ যোল্ল বছৰ বয়সতে ৰচনা কৰিলে দ্বিতীয়টো গীত। গীতটো হৈছে - 'অগ্নিযুগৰ ফিৰিঙতি মই'। অগ্নিযুগৰ ফিৰিঙতি ৰূপে অসম মাতৃক জগাবলৈ, উদ্ভাসিত কৰিবলৈ এই গীতটো ৰচনা কৰিছিল। শোষণকাৰীৰ বিৰুদ্ধে, অত্যাচাৰীৰ বিৰুদ্ধে, দমনকাৰীৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ মানুহক অনুপ্ৰেৰণা জগোৱাত তেওঁৰ বিদ্ৰোহী গীতবিলাক আছিল লাচিতৰ তৰোৱালতকৈ চোকা। তেওঁৰ ৰচনা কৰা গীত - 'নৰ কংকালৰ অস্ত্ৰ সাজি শোষণকাৰীক বধিম', 'হেজাৰ প্ৰাণেৰে চিঞৰি উঠিলে পৃথিৱী উঠিল কঁপি', 'সেই মুহূৰ্তলৈ যি মুহূৰ্ততে মোৰ নাম সীমান্ততে সেই শত্ৰু দৈত্যটোৰ নহয় মৰণ', 'ৰণকান্ত নহওঁ', 'সংগ্ৰাম আন এটি নাম জীৱনৰে', 'বাংলাদেশৰ মুক্তিবাহিনী যুদ্ধত তেওঁৰ', 'গংগা মোৰ মা', নামৰ গীতটোৱে যথেষ্ট ইন্ধন

যোগাইছিল । তেওঁৰ বিদ্রোহী গীতবোৰ হ'ল 'বিক্ষুব্ধ বিশ্বকণ্ঠই' (১৯৬৯), 'হে দোলা' (১৯৫৩) 'ঝক ঝক ৰে'ল চলে' (১৯৪৯), 'প্রতিধ্বনি শুনো' (১৯৫৩), 'ভাঙ শিল ভাঙ' (১৯৫৩), 'মুক্তিকামী লক্ষজনৰ' (১৯৭৭), 'এন্ধাৰ কাতিৰ নিশাতে' (১৯৫৩), 'ৰাইজ আজি ভাৰৰীয়া' (১৯৭৭) 'বিস্তীৰ্ণ পাৰৰে' (১৯৬৫) আদি ।

যুগচেতনা তেওঁৰ গীতৰ এক বৈশিষ্ট্য। সমাজক সময়মতে নতুন যুগৰ বাণীৰে সজাগ কৰি দিয়াৰ দায়িত্ব তেওঁ কান্ধ পাতি লৈছিল । শ্রমৰ মর্যাদা মানুহৰ অধিকাৰ, সাম্যবাদ, বিশ্বপ্রেম, বৈধ অবৈধৰ প্রশ্ন আদি আজিৰ যুগৰ নৱ নৱ গতি তেওঁ দেখুৱাইছে। সেই উদ্দেশ্যেই তেওঁ ৰচনা কৰিছিল - 'অটো ৰিক্সা চলাও আমি দুই ভাই', 'মহাশূণ্যত উপগ্রহ সাজি এইয়া গণ সংযোগ কৰোৱাৰ যুগ' আদি । এই গীতবোৰত স্পষ্ট হোৱা প্রগতিশীল অভিব্যক্তি ড° ভূপেন হাজৰিকাৰ সমাজ সচেতন, যুগ-সচেতন কবি প্ৰাণৰ আন্তৰিক বাণী । সমাজৰ দুৰ্বলতাবোৰ গীতেৰে স্পষ্ট কৰাত ড° ভূপেন হাজৰিকা অতি নিপুণ ।

ড° ভূপেন হাজৰিকাদেৱে ১৯৫৪ চনত গুৱাহাটী বিশ্ববিদ্যালয় মুকলি কৰাৰ সময়ত 'জিলিকাব লুইতৰ পাৰ' এই গীতটি ৰচনা কৰিছিল । ১৯৬০-৬১ চনত অসমৰ ভাষা আন্দোলনৰ সময়ত ৰচিছিল 'মই যেতিয়া এই জীৱনৰ' (১৯৭৮), 'আকাশী গংগা বিচৰা নাই' (১৯৬৩), 'মই এটি যাযাবৰ' (১৯৬৮) আদি চিৰযুগমীয়া গীত সৃষ্টি কৰি আমাৰ সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে ।


২০১১ চনৰ ৫ নৱেম্বৰ তাৰিখৰ দিনা গধূলি ৪:৪৫ বজাত মুম্বাইৰ ধিৰুভাই আম্বানি চিকিৎসালয়ত এই মহান মণিষী শিল্পীজনাৰ জীৱন নাটৰ সামৰণি পৰে ।

❖❖❖❖

# মাতৃভূমি

*পল্লৱী ঢেকিয়াল ফুকন*
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

আইৰ দ্বাৰা যি ঠাইত জন্মিলো
সেয়ে মোৰ মাতৃভূমি
বাৰিষাৰ বোকা-পানীত
খৰালিৰ ধূলি-বালিত
নিজকে গঢ়িছোঁ।
জীৱন যুঁজত যুঁজিবলৈ
জ্ঞানৰ চকু মুকলি কৰি
নিজকে প্ৰস্তুত কৰিছোঁ
কিন্তু;
চৌদিশে তৰুৱালৰ খিলখিলনি
বাৰুদৰ ধমধমনি
চৌদিশে ৰণৰ জাননী
তেজেৰে বুৰ গৈছে মাতৃভূমি
ভয়ত কঁপি উঠিছে মোৰ হৃদয়
কওঁনে বাৰু এই মাতৃভূমিক
মোৰ দেশ আপোনৰ দেশ বুলি।



# জীয়াই থকাৰ অনুশীলনত

*ফৰিদা বেগম*
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

জীয়াই থকাৰ অনুশীলনত
বাগৰে সময়
এসাগৰ দুখ
বেইমানী হৃদয়
সুখী হোৱাৰ হেনো সূত্ৰ নাই
কিদৰে সুখী হয় আপুনি ?

# আইৰ ক'লা চুলিৰ খোপাত

*ফনিন মৰাণ*
*স্নাতক প্ৰথম ষান্মাসিক*
*অসমীয়া বিভাগ*


দীঘল চুলিৰ কলা খোপাত
ধেমালী কৰে বহু সপোন
এৰা...
সৰুতে আইৰ খোপা খুলি
পিতাইৰ লগত লুকা ভাকু খেলিছিলোঁ
এডাল এডালকৈ তেওঁৰ
চুলিবোৰ চিঙিচিলোঁ
দীঘল চুলিবোৰে আইক
ভূতুনি যেন কৰি পেলাইছিলোঁ
আইয়ে দুখ পাইয়ো কন্দা নাছিল
আইয়ে মূৰৰ চুলিবোৰ
মোৰ মূৰত সিঁচি হে দিছিল
বহু দিন হ'ল
আইৰ মূৰৰ চুলিবোৰ নিচিঙা
বহু দিনে হ'ল সঁচাকৈয়ে
মোৰ ভাতৰ কাঁহীয়েও
আইৰ দীঘল চুলি নোপোৰা।



# বৰষুণ

*মাধুৰী মৰাণ*
*পঞ্চম ষান্মাসিক*
*অসমীয়া বিভাগ*

দুয়োহাত আগবঢ়াই দিলোঁ
আকাশৰ ফালে
আশা - স্পটিক প্ৰেম
এচপৰা মেঘ তললৈ নামি আহিল
আৰু কৈ গ'ল - মোৰ নাম বৰষুণ।



গল্প

# চুক্তি

মণিষা ডেকা
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

বহু সময় ধৰি ফোনটো বাজি বাজি বন্ধ হৈ গ'ল। মই ফোনটো ৰিচিভ নকৰো বুলিয়েই নকৰিলোঁ। কিয় জানো স্ক্ৰিণত ভাইটিৰ নম্বৰটো দেখিও মোৰ ফোনটো ৰিচিভ কৰিব মন নগ'ল। মনটো বহু সময়লৈ খু-দুৱাই থাকিল কিয় জানো ফোন কৰিছিল সি। জানিব মন গৈছিল যদিও নিজে ফোন এটা কৰি সুধিবৰ বাবে সাহস নহ'ল। মই ঘড়ীটোলৈ চালো; সময় তেতিয়া আবেলি ৪ বাজিছে। বহাৰ পৰা উঠি গৈ চাহ একাপ কৰি হাতত ললো। চাহ কাপত সোহা মাৰিছো মাত্ৰ এনেতে আকৌ ফোনটো বাজিল। উঠি গৈ সহাঁৰি জনালো হেল্লো - "বা মই ডাঙৰ বিপদ এটাত পৰিছো, তই মোক সহায় কৰ। তই যদি নকৰ কোনে কৰিব কচোন, নিশাই তোক কোৱা কথাবোৰ তই ধৰি নাথাকিবি। তাই তেনেকুৱাই।" মই মাত্ৰ নীৰৱ হৈ আয়ুসৰ কথাবোৰ শুনি গ'লো। ওলোটাই প্ৰশ্ন কৰা নাছিলো - "বা তই শুনিছনে মোক টকা অলপ লাগিছিল দিব পাৰিবিনে তই?" মই লগে লগে ফোনৰ সংযোগ বিচ্ছিন্ন কৰি দিলো। আয়ুস মোৰ একমাত্ৰ ভাই। মা-দেউতা ঢুকুৱাৰ পিছত আমাৰ আপোন বুলিবলৈ আৰু কোনো নাছিল। মই কোনোমতে স্কুলৰ কেৰাণী চাকৰীটো পোৱাৰ পিছত ঘৰখন চলাইছিলো আৰু লগতে ভাইটিক পঢ়াইছিলো। সি কলেজ পাচ কৰি বিশ্ববিদ্যালয়লৈ পঢ়িব গ'ল। খৰচ পাতি মই মাহে মাহে পঠিয়াই থাকো। পঢ়াত সি যথেষ্ট চোকা আছিল। মই হায়াৰচেকেণ্ডাৰী পাচ কৰি আৰু পঢ়াবৰ আশা বাদ দিছিলো। কাৰণ দেউতা ঢুকুৱাৰ অলপ দিন পিছতে মা ঢুকাইছিল। মই ঘৰতে দুই-চাৰিটা ল'ৰা-ছোৱালীক টিউচন কৰোঁ। নহ'লে মাহেকত পোৱা দৰমহাৰে ঘৰখন চলাব টান হৈ পৰে। ভাবিছিলো আয়ুসে ইমানখিনি পঢ়িছে যাতে পাছত চাকৰি এটা যোগাৰ কৰিব আৰু মোৰ তেতিয়া কষ্ট কিছু লাঘৱ হ'ব। কিন্তু ভবা মতে কাম নহ'ল চাকৰি সি পালে ঠিকেই কিন্তু মোৰ কোনো দায়িত্বই সি নল'লে। প্ৰথমে চাকৰি পোৱা খবৰটো নিজে মোক দিছিল। মাজে মাজে ফোন কৰি খবৰো লৈছিল। মোৰ সকলো আশা-ভৰশাৰ থল আছিল সি। কিন্তু লাহে লাহে সি মোৰ খবৰ খাতি লবলৈ এৰি দিলে। মই ফোন কৰিলেও সি ৰিচিভ নকৰে। এনেকৈ বহু দিন গ'ল এদিন মই নিজে তাৰ ৰুমলৈ গ'লো। কিন্তু তাত যি দেখিলো সি মোৰ কল্পনাৰো অতীত। মই গৈ দৰ্জাত টোকৰ মাৰিলো। অলপ সময়ৰ পাছত আয়ুসে আহি দৰ্জা খুলি দিলে। মই ভিতৰলৈ গৈ চোফাখনত

বহি পৰিলো। সি মোৰ কাষতে বহিল কিন্তু কাৰো মুখত মাত নাই। কথা এষাৰ পাতিবলৈও যেন আমাৰ ভাষা হেৰাই গৈছে মোৰ তেনে ভাব হ'ল। মই আয়ুসৰ মুখলৈ চালো সি তলমূৰ কৰি কিবা এটা ভাবি আছে। এনেতে পিছফালে কাৰোবাৰ খোজৰ শব্দ শুনি মই ঘূৰি চালো। চাদৰ-মেখেলা পৰিহিতা এজনী বোৱাৰী। মোৰ আৰু বুজিবলৈ বাকী নাথাকিল যে সি সংসাৰী হ'ল। সেই বাবে সি মোৰ খবৰ ইমান দিন লোৱা নাছিল।

ইমান সময়ে তলমূৰ কৰি থকা আয়ুসে এইবাৰ মোৰ ফালে চালে আৰু লাহে লাহে ক'বলৈ ধৰিলে। "বা মই বিয়া পতাৰ খবৰ তোক জনাবলৈ ইমান দিনে সাহস গোটাব নোৱাৰিলো। সেইবাবে তই ইমান ফোন কৰাৰ সত্বেও মই ফোন ৰিচিভ কৰা নাছিলো। মই জানো তই কেতিয়াও মোক মাফ কৰি নিদিয়। কিন্তু মই যে নিৰুপায়।" মই নিশাক বহু দিনৰ পৰাই ভাল পাই আছিলো; কিন্তু ঘৰত তাইৰ বিয়া ঠিক কৰিছিল আন এটা ল'ৰাৰ লগত। উপায় নাপায় আমি পলাই গৈ মন্দিৰত বিয়া পাতিলো।" মই মাত্ৰ থৰ হৈ আয়ুসলৈ চাই থাকিলো। তাৰ মাত থোকা-থুকি হৈ আহিল। সি বহু সময় ধৰি উচুপি থাকিল। মই তাক কি বুলি ক'ম ভাষা বিচাৰি পোৱা নাছিলো। মোৰো দুচকুৰে চকুলো বাগৰি আহিল।

বহু সময় নিৰৱতাৰ পাছত মই ক'লো -আয়ুস যি হ'ল হৈ গ'ল এতিয়া গাঁৱৰ ঘৰলৈ ব'ল। তই তাৰ পৰা আহি চাকৰি কৰি থাকিবি। নিশা মোৰ লগতে থাকিব। ঘৰখনত অকলে অকলে থাকি মোৰ ভাল নালাগে। মোৰ কথাখিনি শেষ হোৱালৈহে যেন নিশাই বাট চাই আছিল। তাই লগে লগে মাত লগালে - "মই গাঁৱৰ ঘৰত থাকিব নোৱাৰো। বোকা-পানী গচকি থকাৰ অভ্যাস মোৰ নাই। আয়ুসৰ সৈতে মোৰ বিয়াৰ আগতে এই বিষয়ে সিদ্ধান্ত লোৱা হৈছে। আপোনাৰ ইয়াত আৰু কিবা ক'ব লগা আছে বুলি মই নাভাবো।" ইমান খিনি কথা শুনাৰ পিছত মোৰ তাত থকাৰ ধৈৰ্য নাছিল। মই কাকো মাত নলগাই তাৰ পৰা ওলাই আহি অটোৰিক্সাখনত উঠি বাছষ্টেণ্ডৰ ফালে ৰাওনা হ'লো। আজি প্ৰায় দুই বছৰ আগত ঘটি যোৱা ঘটনাটো মোৰ মনত সৌ-সিদিনা হৈ যোৱা যেন লাগিল। এনেতে ফোনটো আকৌ বাজি উঠিল। তেতিয়াহে মোৰ সম্বিত ঘূৰি আহিল যে মই ইমান সময়ে চিন্তাৰ সাগৰতহে ডুব গৈ আছিলো। ফোনটো ৰিচিভ কৰিবলৈ গৈ খন্তেক থমকি ৰ'লো। নিশাই ফোন কৰিছে, কি বুলি ক'ম তাকে ভাবিলো। তাৰ পাছত মই ফোনটো ৰিচিভ কৰিলো। সিফালৰ পৰা নিশাৰ মাত ভাঁহি আহিল। "বা আয়ুসে কোৱা কথাটো কিবা ভাবিলেনে? তাইৰ কথালৈ মই কাণ নিদি ক'লো মই তোমালোকক সহায় কৰিব পাৰো কিন্তু এটা চুক্তিতহে সহায় কৰিম। "কি চুক্তি কওক বা, আপুনি যি কৰিবলৈ কয় আমি তাকে কৰিম।" তোমালোক দুয়ো মোৰ সৈতে ইয়াত থাকিব লাগিব। পাৰিবা থাকিব? যদি পাৰা, তেতিয়া মই সহায় কৰিম। "হ'ব কালিলৈ আমি গাঁৱৰ ঘৰলৈ যাম আৰু নতুনকৈ এটা জীৱন আৰম্ভ কৰিম।" মই মনতে ভাবিলো - এয়াইটো জীৱন, য'ত সুখ দুখ সকলো থাকে। সুখ দুখ নাথাকিলে জীৱনৰ আনন্দই বা ক'ত?

❖❖❖❖

গল্প

# নিষ্ঠুৰ নিয়তি

বিতোপন দহোটীয়া
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

"চোৱা নয়ন, কিছুমান ক্ষেত্ৰত জোৰ-জুলম নচলে। কাৰোবাক প্ৰাণে মৰা ভয় দেখুৱাই ভালপোৱাৰ চেষ্টা নকৰিবা। আনৰ ক্ষেত্ৰত কি সেইটো মই নাজানো; কিন্তু মোৰ ক্ষেত্ৰত কিছু বেলেগ। মই নৱম মান শ্ৰেণীৰ পৰা এনেধৰণৰ ভালপোৱাৰ প্ৰস্তাৱ পাই আহিছো। অযথা কিছুমান ভয় দেখুৱাই কাৰো পৰাই ভালপোৱা আদায় কৰিব নিবিচাৰিবা। বিচৰা বস্তু নোপোৱাটো কোনো ডাঙৰ কথা নহয়। মই কোৱা এই কথাখিনি যদি তুমি মানি লোৱা তেন্তে তুমি আৰু মই লগতে দুয়োখন ঘৰেই শান্তিৰে থাকিব পাৰিব।"

এইখিনি কৈ বনানিয়ে নয়নৰ কোনো উত্তৰলৈ বাট নাচাই খৰ খোজে আগুৱাই গ'ল। বনানি হ'ল ভৱেন্দ্ৰ মাষ্টৰৰ জীয়ৰী। তাইৰ দেউতাক ওচৰৰ নৰপুৰ গাঁৱৰ প্ৰাইমেৰী স্কুল এখনৰ শিক্ষক। ঘৰত কেৱল মাক, দেউতাক আৰু তাইৰ ভায়েক মানস। মানস দশম মান শ্ৰেণীৰ ছাত্ৰ। বনানিতকৈ প্ৰায় সাত আঠ বছৰৰ সৰু। বনানিৰ দেউতাকে প্ৰতি মাহে দৰমহা পায় যদিও সেই পইচাৰে ঘৰখন চলোৱা টান হৈ পৰে। মানসৰ স্কুলৰ ফিজ, কাপোৰ-কানি, বহী-কাগজ আদিৰ খৰচ মাকে তাঁত বৈ কাপোৰ বিক্ৰী কৰিহে উলিয়ায়। বনানিৰ ভাবিলে আচৰিত লাগে মাকে কম কষ্ট কৰি তাইক বি.এ টো পঢ়ালেনে? তাইৰ আৰু পঢ়িব মন আছিল যদিও সেয়া সম্ভৱ নহ'ল ঘৰৰ এই অৱস্থাৰ বাবে। বি. এ পাছ কৰি ঘৰখনৰ বোজা হৈ থাকিব নিবিচাৰিলে। ওচৰৰ কেইটামান ল'ৰা-ছোৱালীক টিউচন কৰিবলৈ ললে অন্ততঃ তাইৰ লগতে যাতে ঘৰখনেও কিছু সকাহ পায়। তাই ঘৰে ঘৰে গৈ টিউচন কৰিব লাগে। মুঠৰ ওপৰত দিনটোৰ চাৰি পাঁচটা টিউচন তাই কৰি প্ৰায় পাঁচ ছয় বজাত আহি ঘৰ সোমায়হি। ঘৰ আহি নোপোৱালৈকে ঘৰৰ মানুহে চিন্তা কৰি থাকে। বনানি এজনী সহজ সৰল আৰু নিষ্ঠাৱান ছোৱালী। ৰূপে গুণে তাই কম নহয়। নৰপুৰ গাঁৱত চাগৈ তাইৰ দৰে দ্বিতীয় জনী নোলায়। সেয়ে গাঁৱৰ প্ৰায়বোৰ ডেকা ল'ৰাই তাইৰ সান্নিধ্য পাব বিচাৰে। টিউচনৰ পৰা আহি আগফালৰ চকীখনত বহি তাই আজি নয়নৰ কথাকে ভাবিলে। এই ল'ৰাবোৰৰ পৰা নিজকে তাই কিমান বচাই ৰাখিব। আজি নয়ন, পাৰ্থ, অভিহঁতক তাই এনেদৰে কৈছে। কালি যদি সিহঁতে তাইৰ অপকাৰ কৰে তেতিয়া কি কৰিব? মানস যদি ১৫ বছৰীয়া ভায়েক নহৈ ককায়েক হ'লহেঁতেন তেতিয়া হয়তো ইমান সমস্যা নহয়। কিন্তু বনানিৰ বহুতো সপোন আছে। এই সপোনবোৰ সৰু সৰু। এটা চাকৰি কৰি তাই

ঘৰখনক সহায় কৰিব বিচাৰে। নিজে বাওনা হৈ চন্দ্ৰলৈ হাত মেলিব নিবিচাৰে। এই মাটিত থাকিয়েই আঁচনি মতে কামবোৰ কৰিব বিচাৰে। এৰা, সপোনবোৰ বাস্তৱ হয় নে নহয় তাই সঠিককৈ ক'ব নোৱাৰে।

এইদৰে ভাবি থাকোঁতে কোনোবাই বনানিক মাত লগালে। তাই ঘূৰি চাই দেখে পিছফালে ধনীৰাম ৰৈ আছে। অৰ্থাৎ বলাই মহাজনৰ একমাত্ৰ পুত্ৰ ধনীৰাম। ধনী ঘৰৰ ল'ৰা হোৱা হেতুকে কিছু অহংকাৰ আছে। ধনীৰামে ক'লে -

- "বনানি, তুমি ধুনীয়া ছোৱালী, তোমাৰ সৌন্দৰ্য কোনোবা অভিনেত্ৰী হোৱাৰহে যোগ্য। কিয় জন্ম ললাহি এই দুখীয়া গাঁৱত।"

- "তুমি কি ক'ব খুজিজা ধনীৰাম।"

- "অঁ, মই তোমাক ভালপাব বিচাৰো। তোমাৰ সান্নিধ্য পাব বিচাৰো।"

"শুনা ধনীৰাম, মোৰ বাবে এইবোৰ কোনো নতুন কথা নহয়। তুমি হলা এজন ধনী মহাজনৰ ল'ৰা আৰু মই হ'লো এজন দৰমহা নোপোৱা শিক্ষকৰ ছোৱালী। তুমি আমাৰ দৰে ছোৱালীক সহজতে ভাল পাওঁ বুলি কৈ খেলা কৰিব খোজা। তোমালোকৰ দৰে প্ৰতাপী আৰু ধনী মানুহে আমাক কেতিয়াও বোৱাৰী হিচাপে গ্ৰহণ নকৰা।"

- "তুমি কথাবোৰ বহু দূৰলৈ ভাবি পেলালা বনানি। ভালপোৱা মানেই যে বিয়া কৰাব লাগিব সেইটো নহয়।"

- "কিন্তু ধনীৰাম, এই সম্পৰ্কত যদি ভৱিষ্যতৰ কোনো সম্বন্ধ নাই বা বিয়াৰ কোনো সম্ভাৱনা নাই তেনেহলে এই সম্পৰ্ক কিয় গঢ়িব খোজা। এই ক্ষেত্ৰত আমি ছোৱালীবোৰ বৰ সাৱধান।"

- "তাৰমানে তুমি মোৰ ভালপোৱাক দলিয়াই দিলা।"

- "অঁ, কাৰণ তোমালোকৰ এই ধেমালিবোৰ মোৰ ভাল নালাগে। আমি যিমানৰ মানুহ সিমানতে থকা উচিত ?"

- "ডায়লগবোৰ ভালেই দিছা। অহংকাৰী ছোৱালী চাই ল'ম তোমাক তোমাৰ মাষ্টৰ দেউতাই কি দৰে বচাই ৰাখে।"

এইদৰে কৈ ধনীৰামে বাইক চলাই গুচি গ'ল। বনানিয়ে নেদেখা হোৱালৈকে চাই থাকিল। ইফালে মাকে তাঁতশালৰ পৰা তাইক বনু বনু বুলি চিঞৰি থকাও তাইৰ কানত নোসোমাল।

গাঁৱৰ নিজান আলিয়েদি এঘৰৰ এটা তৃতীয়মানত পঢ়া ল'ৰাক টিউচন কৰি ঘৰলৈ উভতি আহোঁতে তাইৰ দুচকুৰেদি চকু পানীবোৰ দুগালেদি বৈ থাকে। দুখীয়া ঘৰৰ ছোৱালী হৈয়ো তাই ইমান ধুনীয়া হোৱাটো অপৰাধী যেনহে অনুভৱ কৰিছে বনানিয়ে।

আন দিনাৰ দৰে আজিও টিউচন কৰি ঘৰলৈ উভতাৰ বাটত হঠাৎ তাই দিগন্তক লগ পালে। দিগন্ত হ'ল বনানিহঁতৰ ঘৰৰ ওচৰৰে ল'ৰা। সি গুৱাহাটীৰ এম. এ পঢ়ি আছে। সি পঢ়াত ভালেই। দেখাতো ভাল।

- "অ', দিগন্ত তুমিহে, মই আন কোনোবা বুলি ভাবি যিহে ভয় খাইছিলো।"

- "আন কোনোবা মানে ?"

- "মানে সেই নয়ন, পাৰ্থ আৰু ধনীৰামহঁতৰ কোনোবা এটা বুলি ভাবিছিলো। এটা কথা কওঁ দিগন্ত মই গম পাইছো যে তুমিয়ো আজিকালি সিহঁতৰ লগত ঘূৰিবলৈ লৈছা। তুমি সিহঁতৰ লগ নালাগিবা। সিহঁত বেয়া ল'ৰা।"

- "সিহঁত বেয়া ল'ৰা বুলি তুমি কেনেকৈ জানিলা।"

- "কাৰণ সিহঁতে মোক অকলে লগ

পালেই আগভেটি ধৰি বেয়া কথাবোৰ কৈ আমনি কৰে। বেয়া প্ৰস্তাৱ দিয়ে। তোমাক মই ভাল ল'ৰা বুলি জানো, তোমাৰ মনত সিহঁতৰ দৰে বেয়া ভাববোৰ নাই।"

দিগন্ত নিমাতে বনানিৰ সৈতে খোজকাঢ়ি আহি থাকিল। খন্তেক পিছতে সিহঁত দুয়ো আহি মুকলি পথাৰখনৰ একাষত থকা আহঁত গছজোপাৰ ওচৰ পালেহি। দিগন্তই ক'লে -

-"বনানি আবেলি তোমাৰ চাৰি পাঁচ বজালৈ টিউচন কৰি অলপো ভাগৰ নালাগেনে, ব'লা এই গছজোপাৰ তলহে বহি অলপ জিৰণি ল'বা।

-"নাই এনে কষ্ট কৰা মোৰ অভ্যাস আছে। এতিয়া মই ক'তো জিৰাব নিবিচাৰো। দেৰি কৰিলে ঘৰত মা-দেউতাই মোৰ চিন্তাত অস্থিৰ হৈ পৰিব।"

- "কিয়? মোৰ লগত থাকিলে তুমি নিজকে নিৰাপদ বুলি নাভাবানে? তুমি হয়তো নাজানা যে তুমি কিমান ধুনীয়া, তোমাৰ সান্নিধ্য পাবলৈ গাঁৱৰ ক'ত ল'ৰাই উদ্বাউল হৈ থাকে।"

- "হয়, মই এইটো জানো যে সিহঁতে মোৰ স'তে ভালপোৱাৰ খেলাহে কৰিব খোজে। মোক কেতিয়াও সিহঁতে বিয়া কৰাই সিহঁতৰ পত্নী হিচাপে গ্ৰহণ কৰিব নিবিচাৰে।

- "মোক বিশ্বাস কৰা, ময়ো তোমাক ভালপাওঁ বনানি।"

এইবুলি কৈ দিগন্তই প্ৰায় বনানিক হাতত ধৰি এক প্ৰকাৰৰ টানিয়েই গছজোপাৰ তললৈ লৈ গ'ল।

-"চাওঁ, এৰি দিয়া, তাৰমানে তুমিয়ো সিহঁতৰ দৰে?"

বনানিৰ কথাষাৰ উত্তৰ দিগন্তই দিব লগা নহ'ল। গছজোপাৰ আঁৰৰ পৰা তিনিজন ল'ৰা ওলাই আহিল।

-"অহংকাৰী ছোৱালীৰ অহংকাৰ কিদৰে ভাঙিব লাগে আমি ভালদৰে জানো।"

সন্ধিয়া সময়ত ল'ৰা কেইজনৰ মুখ কেইখন নেদেখিলেও মাতটো ধৰিব পাৰিলে। সেইটো ধনীৰামৰ মাত।

- "কোন আছা, বচোৱা মোক"।

চিঞৰিবলৈ মুখ মেলোতেই কোনোবা এটাই পিছফালৰ পৰা তাইৰ মুখত কাপোৰ এখন বান্ধি দিলে। তাইৰ আৰু বুজিবলৈ বাকী নাথাকিল যে ইয়াৰ পৰা বচাৰ আশা নাই। তাইৰ সপোনবোৰ আৰু বাস্তৱ নহ'ব। মাক-দেউতাক আৰু ভায়েকৰ ছবি কেইখন চকুৰ আগত ভাঁহি উঠিল। কাহিলী পুৱাতে হাল বাবলৈ অহা ধনাইয়ে গছজোপাৰ তলত কোনোবা শুই থকাৰ দৰে দেখিলে, ওচৰলৈ আহি যেতিয়া ভালদৰে চালে তেতিয়া গম পালে যে সেয়া আন কোনো নহয়, ভবেন্দ্ৰ মাষ্টৰৰ জীয়ৰী বনানি। কোনোবাই অতি নিৰ্মমভাৱে আঘাত কৰি তাইক হত্যা কৰিছে। পথাৰখনৰ সিটো মূৰতে তাৰ জুপুৰিটো। সিনো যোৱা ৰাতি ইমান উন্মনা হৈ আছিল নে? মৃত্যুৰ সময়ত নিজকে বচাবলৈ চিঞৰা এটা চিঞৰো তাৰ কাণত নপৰিল? মানুহ ইমান নিষ্ঠুৰ হ'ব পাৰেনে? যে যাকে মন যায় তাকে মাৰিব। তাৰ নিজকে অপৰাধী যেন লাগিল। অক অপৰাধবোধত তাৰ মুখৰ পৰা ৰাউচি জুৰা কান্দোন ওলায় আহিল। এই কান্দোনে ৰাতিপুৱা শুই থকা নিজান গাঁওখনৰ মানুহখিনিক জগাই তুলিলে। সি তাৰ মূৰত মাৰি যোৱা গামোচাখনেৰে তাইৰ দেহটো ঢাকি দিলে।

বনানি শুই পৰিল চিৰদিনৰ বাবে।

❖❖❖❖

গল্প

# অনুভৱৰ এখন চিঠি

মাধুৰী মৰাণ
তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

মৰমৰ

মঞ্জৰী,

মোৰ মৰমবোৰ সাদৰেৰে গ্ৰহণ কৰিবা বুলি আশা কৰিছো। তুমি চাগৈ আচৰিত হৈছা ন? আজিৰ যুগত চিঠি ? তুমি চাগৈ ভাবিছা ফেচবুক, হোৱাট্‌ছ আপতেই দেখোন খবৰ ল'ব পাৰে মোৰ। কিন্তু কি জানা মঞ্জৰী, তোমাক আজি যিবোৰ কথা ক'ম সেইবোৰ ফেচবুক, হোৱাট্‌ছ আপৰ বন্ধুৱে যে কেতিয়াও নুশুনে। আৰু কি জানা মঞ্জৰী, মই যে আজিকালি ফেচবুক হোৱাটছ আপ আদি যান্ত্ৰিক পৃথিৱীৰ পৰা বিদায় মাগিলো। এতিয়া মোৰ ঠিকেই ধাৰণা হ'ল জানা সেইবোৰে দিব নোৱাৰে কোনো সঁচা আন্তৰিকতা, দিব নোৱাৰে কোনো নিগাজী ঠিকনা।

মঞ্জৰী, আমি চাগৈ কোনো কাৰোৱেই আপোন নহয় ন? সকলো মানুহেই এক গাইগুটীয়া সত্বা। চিনি নোপোৱা হ'লে কিজানি তোমাৰ মাকো মা বুলি নামাতিলাহেঁতেন পিতাকো পিতা বুলি নামাতিহেঁতেন। মানুহ যিহেতু সামাজিক প্ৰাণী সেইকাৰণে সম্বন্ধ বজাই ৰাখিবলৈ বাধ্য। বাধ্যবাধকতাৰে হ'লেও আমি একো একোটা সম্বন্ধ ধৰি ৰাখো। কিন্তু এই সম্বন্ধসমূহো যে যান্ত্ৰিক। কিছুমান যন্ত্ৰই আমাক যান্ত্ৰিক কৰি লৈ গৈ আছে। অৱশ্যে সকলো সম্বন্ধৰেই শেষ পৰিণতি বিচ্ছেদ। বিচ্ছেদৰ শেষত আকৌ যন্ত্ৰণা। কেতিয়াবা মোৰ কি ভাৱ হয় জানা পৃথিৱীখন যেন স্বাৰ্থপৰ। আমি যেন সকলো মানুহেই স্বাৰ্থপৰ। মই তোমাক প্ৰকৃতভাৱে চিনি নাপাঁও তুমিও নোপোৱা। মঞ্জৰী, এই যে মোৰ কাৰোবাক আপোন যেন লাগিছে তাৰ ওপৰত মই সম্পূৰ্ণভাৱে নিৰ্ভৰ নকৰোঁ বা বিশ্বাসত নলওঁ। মোৰ আজি কালি যে নিজৰ ওপৰতো বিশ্বাস নোহোৱা হৈছে। কাৰো ওচৰতেই নিজকে সমৰ্পণ কৰিব নোৱাৰিম চাগৈ। মোৰ ভাব হয় স্বাধীনতা মোৰ জন্ম স্বত্ব। আত্মসমৰ্পণ দুৰ্বল মানুহৰ কাম।

মঞ্জৰী, মোৰ কি ভাব হয় জানা মই যেন এই পৃথিৱীৰ চৰাই-চিৰিকতি, তৰু-তৃণ আৰু সকলো মানুহৰ লগতেই চিনাকি হ'ম কথা পাতিম। গোটেই পৃথিৱীখন ভ্ৰমী ফুৰা হেঁপাহ এটাই মোৰ মনটোক অনবৰতে খেদি ফুৰে। সেউজীয়াত ডুব গৈ থাকিব বিচৰা মই এজনী যাযাবৰী সাধাৰণ ছোৱালী। মঞ্জৰী, কি জানা মই যে এই পৃথিৱীত মানুহ হিচাপে জন্ম লৈ বহুত সুখী। মই বহুত দিনলৈকে জীয়াই থাকিব বিচাৰোঁ। পঞ্চাছ ষাঠি বছৰীয়া আয়ুস মোৰ বাবে একোৱেই নহয়। আমিবোৰ কিমান পৰাধীন এবাৰ ভাবি চোৱাচোন। আমি নিজে নিজক পৰিচালনা কৰিব নোৱাৰো। ধুলি-বালিৰ লগত খেলোঁতেই মোৰ এবয়স গ'লেই। জগতখনক চিনিবলৈ, জানিবলৈ আৰু বহুত বাকী আছেই। স্তৰে স্তৰে আহি এটা প্ৰধান বিষয়

পাওঁতেই আমাৰ এবয়স গুচিয়েই যায় । যেতিয়া জীৱনটো আমি সম্পূৰ্ণভাৱে উপভোগ কৰিবলৈ পাওঁ তেতিয়াই আমাৰ মৃত্যু ওচৰ চাপি আহে । ইফালে পৰীক্ষা পৰীক্ষা বুলি প্ৰস্তুতি চলাওঁতেই পূৰ্ণাঙ্গ ভাৱে ক্ষন্তেকীয়া সময়খিনি উপভোগ কৰিবই নোৱাৰোঁ। আনহাতে এইখিনিকে কৰি নথ'লেও নহয়। মঞ্জৰী এই চিষ্টেম বিলাক মোৰ একেবাৰেই পচন্দ নহয় । আমি ইচ্ছা অনুযায়ী যিমান মন যায় সিমান জীয়াই থাকিব নোৱাৰোঁ । আমাৰ জীৱনটো এখন ৰুটিনে পৰিচালনা কৰি আছে। সেইখনো আমি নিজে তৈয়াৰ কৰা নহয় । কৰিবও নোৱাৰো কৰিলেই বিপদ। আমাৰ জীৱনটো পৰিচালনা কৰে এই ৰুটিনখনে ।আমিবোৰ যে কিমান পৰাধীন ন মঞ্জৰী ?

জানা মঞ্জৰী, পৃথিৱীৰ প্ৰতি মোৰ এটা মোহ আছে। সাংঘাটিক মোহ ।মই মৰিবলৈ একেবাৰে নিবিচাৰোঁ ।প্ৰতিটো জন্মদিনে মোৰ মনলৈ কঢ়িয়াই আনে অনাবিল সুখ। কিন্তু সুখৰ লগতে এটা দুখে মোৰ মনটোক বিষাদসিক্ত কৰি তোলে । কাৰণ জন্ম দিনটো আহি পোৱা মানেই যে মৃত্যু মুখলৈ এখোজ আগুৱাই যোৱা নহয় জানো মঞ্জৰী ? যদি প্ৰতিটো জন্ম দিনত ডাঙৰ নহৈ সৰু হৈ যোৱোহেঁতেন ! হ'লেও পৃথিৱীত জন্ম হৈ মই বহুত সুখী,বহুত। জন্ম হোৱাটো সঁচাকৈয়ে ইমান আনন্দৰ কথা । নীলাভ সৌৰভ দাদাই কোৱাৰ দৰে - "জন্ম হোৱাতো ইমান আনন্দ দায়ক কথা নহয় নে ? পৰা হ'লে মই জন্ম হোৱাৰ দিনাই খুব ফূৰ্তি কৰিলোঁহেঁতেন,নাচিলোঁহেঁতেন। নোৱাৰিলোঁ যে সেইকাৰণে জন্ম জন্ম দিনটোকেই পালন কৰোঁ।"

জানা মঞ্জৰী, এই ইমান সুখৰ পৃথিৱীখন চৰাই-চিৰিকটি, গছ-গছনি, ফল-ফুল, মুক্ত আকাশ যিমান ক্ষন্তেকীয়া নহওক যিমান যান্ত্ৰিক নহওক এই পৃথিৱীৰ প্ৰতি সকলোৰে এটা এৰাব নোৱাৰা মোহ আছে।কিন্তু এই পৃথিৱীতো যে এখন নৰক আছে, কামনা বাসনাৰ নৰক। ইয়াৰ পৰা মুক্ত হ'ব নোৱাৰিলেই বিপদ । আমি ইটোৰ পাছত সিটো পানিচমেণ্ট সহ্য কৰিবই লাগিব । উপায়ো নাই পৃথিৱীত থকা সৰগখন আমি ঢুকি নাপাওঁ।

জানা মঞ্জৰী, মোৰ জীৱনলৈ আন আন বহুতো সম্বন্ধ বোৰৰ মাজতেই অৰ্থাৎ পৰিয়ালৰ সূত্ৰে হোৱা তেজৰ সম্বন্ধবোৰৰ বাহিৰেও, মোৰ জীৱনলৈ এটা নতুন সম্বন্ধই খেদি আহিছে। সঁচাকৈয়ে আমি যে এই সম্বন্ধবোৰৰ পৰা যিমানে এৰাই চলিব বিচাৰো তথাপি ওচৰ চাপি আহিবই। মোৰ এই নতুন সম্বন্ধটো এতিয়াও ভালদৰে বুজি উঠিব পৰা হোৱা নাই। নিলাভ সৌৰভ দাদাৰ লগতেই মোৰ এই সম্বন্ধই পোখা মেলিছে । নাজানো এই সম্বন্ধৰ নাম কি ? কিমান পবিত্ৰ বা কিমান স্থায়ী, কিমান অকৃত্ৰিম মইতো একোৱেই নাজানো ।মাথোঁ মই এই সম্বন্ধৰ অস্তিত্ব অনুভৱ কৰি থাকিব বিচাৰো ।এই অনুভৱৰ পৰাই সুন্দৰ পৃথিৱীখন আৰু সুন্দৰ দেখিছো । জীয়াই থাকিব বিচৰা মোহটোৱে বেছিকৈ উক দিব ধৰিছে। মই নমৰো। এই পৃথিৱীখনত হেঁপাহ পলুৱাই উপভোগ কৰিম ।মই এনেকৈয়ে পৃথিৱীখন চাব শিকিছো, অনুভৱ কৰিব শিকিছো । মোৰ জানো কিবা ভুল হৈছে মঞ্জৰী ?

মঞ্জৰী, চাওঁতে চাওঁতে চিঠিখন বহুত দীঘলীয়া হ'ল । তুমি বেয়া নাপাবা মঞ্জৰী মোৰ কিবা ভুলো হ'ব পাৰে। তোমাৰ অনুভৱবোৰ সম্পূৰ্ণ পৃথকো হ'ব পাৰে ।আজিলৈ সামৰিছো মঞ্জৰী, মোক চাগে তুমি মস্ত কামোৰ বুলিয়েই ভাবিছা ন ? ইতি -

— *মাধুৰী*

❖❖❖❖

## অসমীয়া বিভাগৰ শিক্ষকসকল


পূৰ্ণানন্দ শইকীয়া
জ্যেষ্ঠ অধ্যাপক


দীপা শৰ্মা বৰঠাকুৰ
জ্যেষ্ঠ অধ্যাপক


ড° মৃণাল কুমাৰ গগৈ
বিভাগীয় প্ৰধান


অচ্যুত শইকীয়া
সহঃ অধ্যাপক


সীমান্ত বৰদলৈ
সহঃ অধ্যাপক

## সম্পাদনা সমিতি


সুৰজ গগৈ
সম্পাদক


লিজুত দুৱৰা
সম্পাদক


শৈল্য মৰাণ
সদস্য


পাপৰি চেতিয়া
সদস্যা



চয়নিকা নাথ
সদস্যা

## অসমীয়া বিভাগৰ কেইটামান স্মৰণীয় মুহূৰ্ত


প্ৰাচীৰ পত্ৰিকা উন্মোচন - ২০১৬


প্ৰাচীৰ পত্ৰিকা উন্মোচন - ২০১৭


মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত বিভাগীয় দল



ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে শিক্ষক মণ্ডলী

'Manjari' 2nd Issue, 2017, Published by Department of Assamese, Digboi College at Printed by Saneka Press, Digboi